Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## পাক উচ্চায়ুক্তই এৰিব লাগিব দিল্লী!

নতুন দিল্লী, ১৩ মে': নতুন দিল্লীস্থিত পাকিস্তান উচ্চায়ুক্ত কাৰ্যালয়ৰ বিষয়াক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ৫ পৃষ্ঠাত

WEDNESDAY, MAY 14, 2025 ■ বুধবাৰ, ৩০ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩৬ Guwahati, Assam ।। মূল্যঃ এটকা

## আসন কম পাই কংগ্ৰেছক জগৰীয়া কৰিলে বিধায়ক অখিলে, মিত্ৰতাৰ দুৱাৰ বন্ধ কৰাৰো হুংকাৰ প্ৰদান!

## ২০২৬ত নতুন ৰণকৌশলেৰে যুঁজিব কংগ্ৰেছে, ক'লে ভূপেন বৰাই



গৌৰৱ গগৈৰ মন্তব্যঃ "২০২৪ত দিলে আমাক, পঞ্চায়তত নিদিলে, আমাক ২৬'ত আকৌ দিব!"



ই-সংবাদ, ১৩ মে': পঞ্চায়ত নিৰ্বাচনত আশানুৰূপ ফল দাঙি ধৰাত ব্যৰ্থ হোৱাৰ পিছতে বিৰোধী নেতাসকলে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। ৫ পৃষ্ঠাত চাওক

### বৰ্তমানো অব্যাহত অভিযান

## কাশ্মীৰত সেনাৰ গুলীত নিহত তিনি দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী

জম্মু, ১৩ মে': পেহেলগামত পাক মদতপুষ্ট সন্ত্ৰাসবাদীয়ে ২৫ ভাৰতীয়ক হত্যা কৰাৰ পিছত ৬ মে'ৰ নিশাৰে পৰা ৩ পৃষ্ঠাত চাওক



ছ'পিয়ানত চিআৰপিএফৰ টহল

### শাসকীয় দলৰ ধনবল-বাহুবলৰ বিৰুদ্ধে বিৰোধীয়ে যুঁজিলে এঘড়ী

# পঞ্চায়তে পঞ্চায়তে বিজেপিৰ পদুম-ফুলীয়া হাঁহি

■ বিজেপিৰ দখললৈ ২৭২ জিলা পৰিষদ, কংগ্ৰেছে পালে ৭২ খন জিলা পৰিষদ, বহু সংখ্যালঘু এলেকাতো বিজেপি

ই-সংবাদ, ১৩ মে': লোকসভা নিৰ্বাচনত লোকসভাৰ তিনিখনকৈ আসন লাভ কৰা কংগ্ৰেছ দল পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ ঢৌত বিধ্বস্ত হৈ পৰিল। ২ নং পৃষ্ঠাত



## চিবিএছইৰ দশম-দ্বাদশৰ ফলাফল

ই-সংবাদ, ১৩ মে': মঙলবাৰে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড চমুকৈ চিবিএছই-এ ঘোষণা কৰিলে দশম শ্ৰেণী ৩ নং পৃষ্ঠাত

## ভাৰতলৈ কু-দৃষ্টি দিলেই বিনাশ নিশ্চিত: প্ৰধানমন্ত্ৰী মোদী

### সেনাক সাহস দিবলৈ আদমপুৰ বিমান ঘাটি ভ্ৰমণ

ই-সংবাদ, ১৩ মে': মঙলবাৰে পঞ্জাবৰ আদমপুৰ বিমান ঘাটি ভ্ৰমণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সেনাৰ মনোবল বঢ়াবলৈ কৰা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি "স্ফটিকৰ ৩ পৃষ্ঠাত



### ৫ দিন মৃত্যুৰে দিলে যুঁজ

## পাকিস্তানী ড্ৰ'ন পৰি আহত পঞ্জাৱৰ মহিলাৰ মৃত্যু

শ্ৰীনগৰ, ১৩ মে': যুদ্ধৰ কলীয়া ডাৱৰ আঁতৰিছে যদিও সীমান্তৱৰ্তী পঞ্জাৱ আৰু জম্মু-কাশ্মীৰত পাকিস্তানৰ গোলাবৰ্ষণৰ ২নং পৃষ্ঠাত

## কৰ্ণেল ছ'ফিয়া সিহঁতৰ! বিজেপি নেতাৰ মন্তব্য

নতুন দিল্লী, ১৩ মে': ৬ মে'ৰ নিশাৰে পৰা ভাৰতৰ তিনিও সেনাবাহিনীয়ে পাকিস্তানৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিয়ে। ২ নং পৃষ্ঠাত

### সবিশেষ প্ৰকাশ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ

## পাকিস্তানৰ কাকুতি-মিনতিতেই হৈছিল যুদ্ধবিৰতি

নতুন দিল্লী, ১৩ মে': মঙলবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰত আৰু পাকিস্তানৰ মাজৰ যুদ্ধবিৰতিৰ বুজাবুজি সন্দৰ্ভত এক ৰূপৰেখা দাঙি ধৰে। বিষয়াসকলে কয় ৪ নং পৃষ্ঠাত



## মোদীৰ মন্তব্যৰ বিৰোধিতা পাকৰ

ইছলামাবাদ, ১৩ মে': সোমবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক সম্বোধন কৰি পেহেলগাম কাণ্ড আৰু অপাৰেচন সিন্দূৰ সম্পৰ্কে বিশেষ আলোকপাত কৰে। উক্ত ভাষণত সন্ত্ৰাসবাদক সমৰ্থন কৰাৰ বাবে পাকিস্তানক চোকা সমালোচনা কৰে নৰেন্দ্ৰ মোদীয়ে। ৪ নং পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়তে পঞ্চায়তে বিজেপিৰ পদুম

শাসকীয় বিজেপি দলে বৰাক উপত্যকা, উজনি-নামনিত একচেটীয়া সফলতা লাভ কৰিছে। মাথোঁ ১০ মাহ পূৰ্বে অনুষ্ঠিত হোৱা লোকসভা নিৰ্বাচনত কংগ্ৰেছৰ উজনি, মধ্য অসম আৰু নামনি অসমত কিছু হ'লেও ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল যদিও হঠাতে বিজেপিৰ ধুমুহাত কংগ্ৰেছ বিধ্বস্ত হৈ পৰিল। আশা কৰা ধৰণেই বিজেপিয়ে সমগ্ৰ অসমত উন্নত ফলাফল কৰিবলৈ সক্ষম হয়। বিৰোধীয়ে পৃথকে পৃথকে নিৰ্বাচন খেলাত ভোট ভাগ ভাগ হোৱাৰ ফলতে বিজেপিয়ে বিগত এটা দশকৰ ভিতৰত অসমত সকলোতকৈ উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। পৃথকে পৃথকে নিৰ্বাচন খেলি বিৰোধীৰ আটাইকেইটা দলে বিজেপিক ৰাক অভাৱ দিয়ে। লগতে বিজেপিৰ সৈতে আছে হিতাধিকাৰীৰ ভোট। ছাত্ৰীৰ একাউন্ট ধন, নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীক ধন, চাহ জনগোষ্ঠীৰ হিতাধিকাৰীক নগদ ধন, অৰুণোদয়ত নগদ ধন আদি দিয়াৰ দৰে আঁচনি ৰূপায়ণ কৰি বিজেপিয়ে ভোটাৰ সৃষ্টি কৰিছে। যাৰ ফলত মুখ্য বিৰোধী কংগ্ৰেছ একেবাৰে বিধ্বস্ত হৈছে। পূৰ্বে কংগ্ৰেছৰ যিবোৰ দুৰ্গ আছিল য'ত কেতিয়াও কংগ্ৰেছে পৰাজয়বৰণ কৰা নাছিল তেনে ঠাইসমূহতো কংগ্ৰেছ পৰাজিত হৈছে। দুটা দিনৰ গণনাৰ অন্তত পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণা আজি দুপৰীয়া প্ৰায় সম্পূৰ্ণ হৈছে। দুটা দিনৰ বেলট পেপাৰ গণনাৰ অন্তত আজি ফলাফল স্পষ্ট হৈছে। ঘোষিত ফলাফল অনুসৰি বিজেপিয়ে সকলো বিৰোধীক বিধ্বস্ত কৰিবলৈ সক্ষম হৈছে। অসমত মুঠ জিলা পৰিষদৰ আসন আছে ৩৯৭। ইয়াৰে বিজেপিয়ে ২৭২ খন, কংগ্ৰেছে ৭২ খন আৰু অগপই ২৮ খন আসন লাভ কৰিবলৈ সক্ষম হৈছে। জিলা পৰিষদত ভোটৰ শতাংশ হৈছে বিজেপি ৭৬.২২ শতাংশ আৰু কংগ্ৰেছ ১৮ শতাংশ। আজি ঘোষিত অনুসৰি আঞ্চলিক পঞ্চায়তৰ মুঠ সংখ্যা হৈছে ২,১৯২। ইয়াৰে বিজেপিয়ে ১,২৬৫ খন, কংগ্ৰেছ ৪৭৭ খন আৰু অগপই ১৭১ খন লাভ কৰিবলৈ সক্ষম হৈছে। আঞ্চলিক পঞ্চায়তত ভোটৰ শতাংশ হৈছে কংগ্ৰেছ ২১ শতাংশ আৰু বিজেপি ৬৬ শতাংশ। আজি পঞ্চায়তৰ ফলাফল ঘোষণাৰ পিছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সাংবাদমেল সম্বোধন কৰি অসমবাসীয়ে দিয়া মৰমৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত কয় যে কংগ্ৰেছৰ পূৰ্বৰ নিৰ্বাচনৰ তুলনাত ৫০ শতাংশ আসন হ্ৰাস হৈছে। সংখ্যালঘু অঞ্চলত কংগ্ৰেছে আসন লাভ কৰিছে। কিন্তু সংখ্যালঘু অঞ্চলত বিজেপিয়েও এইবাৰ ভোট লাভ কৰিছে। অসমবাসীৰ আশীৰ্বাদ নিৰ্মালি হিচাপে তুলি লৈছো। অসমবাসীৰ আশীৰ্বাদ লৈ আগবাঢ়িম। কংগ্ৰেছে হিন্দু ভোটাৰৰ স্থানত ভোট লাভ কৰা নাই। বিপৰীতে বিজেপিয়ে সংখ্যালঘু স্থানত ভোট লাভ কৰিছে। হোজাই, ধিং, চামগুৰি সমষ্টিত ৩০-৩৫ শতাংশ বিজেপিয়ে ভোট লাভ কৰিবলৈ সক্ষম হৈছে। য'ত আগতে আমি ভোট লাভ কৰা নাছিলো, সেই স্থানত দ্বিতীয় স্থানত স্থান লাভ কৰিছো। লোকসভা নিৰ্বাচনতকৈ পঞ্চায়তত বহুত বেছি ভোট লাভ কৰিছো। পঞ্চায়তৰ ফলাফল যদি বিধানসভাত হয় তেন্তে ১০৩ খন আসন লাভ কৰিম। ড০ হিমন্ত বিশ্ব শৰ্মাই আৰু কয় যে চাহ বাগিচা, জনজাতীয়, ৬ জনগোষ্ঠীৰ লোকে হিয়া উজাৰি ভোটদান কৰিছে। মৰাণ, মটক, কলিতা, চুতীয়া থকা এলেকাত সম্পূৰ্ণ বিজয় লাভ কৰিবলৈ সক্ষম হৈছো। অগপ, ৰাভা হাচং, গণ শক্তিৰ সৈতে মিত্ৰতা কৰি অতি ভাল হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটাই ভাল প্ৰচাৰ চলাইছে। গাঁও পঞ্চায়তৰ বিজয় আৰু পৰাজিত সকলো প্ৰাৰ্থীক সম্বৰ্ধনা জনাব ৰাজ্যিক বিজেপিয়ে। গাঁও পঞ্চায়তৰ সভাপতি বাছনি হোৱা প্ৰাৰ্থীসকলক সম্বৰ্ধনা জ্ঞাপন কৰিবলৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব বিশেষ কাৰ্যসূচী। এই বিশেষ কাৰ্যসূচীত উপস্থিত থাকিব বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কৰ্ণেল ছ'ফিয়া সিহঁতৰ! বিজেপি

পাকিস্তানৰ ভিতৰত সোমাই আক্ৰমণ কৰাই নহয় পাকিস্তাৰ প্ৰতিটো আক্ৰমণ বিফল কৰে। সেনাৰ হৈ বিদেশ মন্ত্ৰালয়, নৌ সেনা আৰু স্থল সেনাই বাৰে বাৰে প্ৰতিদিনৰ খবৰৰ বাবে সংবাদমেলৰ আয়োজন কৰিছিল। সংবাদমেলত অংশ লৈছিল ভাৰতীয় সেনাৰ মহিলা কৰ্নেল ছোফিয়া কুৰেশ্বীয়ে। ছোফিয়া কুৰেশ্বী খোদ অভিযানত জড়িত আছিল বুলি জানিব পৰাৰ লগতে পাকিস্তানে ভাৰতৰ বিৰুদ্ধে চলাব খোজা ভুৱা প্ৰচাৰৰ প্ৰত্যুত্তৰ দিয়ে। দেশজুৰি ছোফিয়া কুৰেশ্বীৰ ব্যাপক চৰ্চা হৈ থকাৰ সময়তে বিজেপি নেতাই বিতৰ্কিত মন্তব্য প্ৰদান কৰিছে। বিজেপি নেতা তথা মধ্য প্ৰদেশ চৰকাৰৰ মন্ত্ৰী বিজয় শ্বাহে বিতৰ্কিত মন্তব্য প্ৰদান কৰিছে। কৰ্নেল ছোফিয়া কুৰেশ্বীৰ নাম নোলোৱাকৈ মহিলা বিষয়াগৰাকী সম্পৰ্কে আপত্তিজনক মন্তব্য কৰিছে। বিজয় শ্বাহে কয়, 'যিসকলে আমাৰ মহিলাৰ সিন্দুৰ মচি পেলাইছিল, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেইসকল লোকৰ মহিলা পঠিয়াই এনে অৱস্থা কৰিলে যে সকলো ওলট-পালট হৈ গ'ল।' বিজয় শ্বাহে লগতে কয় যে পাকিস্তানীয়ে আমাৰ দেশবাসীৰ কাপোৰ খুলিছিল। কিন্তু আমি তেওঁলোকৰ সমাজৰ মহিলাক পঠিয়াই সিহঁতক ধৈৰ্য নধৰিবলৈ বাধ্য কৰিলো। সন্ত্ৰাসবাদীয়ে কৈছিল যে মোদীক কৈ দিবি আমি হিন্দু লোকক হত্যা কৰিছো আৰু তেওঁলোকৰ কাপোৰ খুলিছো। সেইকাৰণে প্ৰধানমন্ত্ৰী মোদীয়ে সিহঁতৰ মহিলাক আমাৰ সেনাৰ বিমানত উঠাই পঠিয়াইছিল, যাতে তেওঁলোকে শিক্ষা পায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানী ড্ৰ'ন পৰি আহত পঞ্জাৱৰ

ফলত জীৱন-সম্পত্তিৰ ক্ষতিৰ ফলত নাগৰিক জৰ্জৰিত হৈ পৰিছে। ১০ মে'ত যুদ্ধবিৰতি ঘোষণা কৰা হৈছে যদিও পাকিস্তানৰ আক্ৰমণত আঘাতপ্ৰাপ্ত আন এগৰাকী লোকে প্ৰাণ হেৰুৱাইছে। পঞ্জাৱৰ ফিৰোজপুৰ জিলাত পাকিস্তানী ড্ৰোন লাগি আঘাতপ্ৰাপ্ত সুখবিন্দৰ কৌৰ নামৰ মহিলাগৰাকীয়ে কালি নিশা মৃত্যুবৰণ কৰে। কৌৰৰ পৰিয়ালৰ মুঠ তিনিজন সদস্য আহত হৈছিল যদিও দুজন সদস্য বৰ্তমান সুস্থ। কৌৰক ফিৰোজপুৰৰ অনিল বাঘি হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। হাস্পতালৰ মুখ্য কাৰ্যবাহী বিষয়া সৌৰভ ভাগীয়ে কৈছিল যে কৌৰৰ শৰীৰৰ ৮০ শতাংশ অগ্নিদগ্ধ গৈছিল। তেওঁৰ অৱস্থা গুৰুতৰ হোৱাৰ বাবে লুধিয়ানাৰ দয়ানন্দ মেডিকেল কলেজলৈ স্থানান্তৰ কৰা হয়। য'ত সোমবাৰে তেওঁৰ মৃত্যু হয়। শুকুৰবাৰে ৰাতি খাই ফেমে গাঁৱত এটা পাকিস্তানী ড্ৰোন খহি পৰিছিল। কিন্তু এই সন্দৰ্ভত প্ৰশাসনে নিশ্চিতি দিয়া নাই। কৌৰ হৈছে জম্মু-কাশ্মীৰৰ বাহিৰত পাকিস্তানী ড্ৰোনৰ আক্ৰমণত মৃত্যু হোৱা প্ৰথমগৰাকী সাধাৰণ নাগৰিক। জম্মু-কাশ্মীৰত পাকিস্তানৰ গুলীবৰ্ষণত এতিয়ালৈকে ২১ জন সাধাৰণ লোকৰ মৃত্যু ঘটিছে। ৭ মে'ৰ পৰা আৰম্ভ হোৱা ভাৰত-পাকিস্তানৰ সামৰিক সংঘাতত ৭ গৰাকী ভাৰতীয় সুৰক্ষা কৰ্মীৰ মৃত্যু ঘটিছে। য'ত ৪ গৰাকী সেনা, ১ গৰাকী বায়ুসেনাৰ বিষয়া আৰু ২ গৰাকী সীমা সুৰক্ষা বাহিনীৰ সদস্য। এই উত্তেজনা বৃদ্ধি পায় ৭ মে'ত। ভাৰতীয় সেনাই অপাৰেচন সিন্দুৰ নামৰ অভিযানৰ অধীনত পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত সন্ত্ৰাসবাদীৰ শিবিৰসমূহত আক্ৰমণ চলায়। এই আক্ৰমণৰে পেহেলগামত সংঘটিত হোৱা আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়া হয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰত সেনাৰ গুলীত নিহত তিনি দুৰ্ধৰ্ষ

ভাৰত-পাকিস্তানৰ মাজত যুদ্ধসদৃশ পৰিস্থিতি দেখা গৈছিল। ৬ মে'ৰ নিশা ভাৰতে পাক অধিকৃত কাশ্মীৰত আক্ৰমণ চলাইছিল। তাৰ পিছতে দুয়োখন দেশৰ মাজত আৰম্ভ হৈছিল সামৰিক সংঘাত। ১০ মে'ত দুয়োখন দেশে যুদ্ধবিৰতি ঘোষণা কৰে যদিও ভাৰতীয় সেনাই জম্মু-কাশ্মীৰত অভিযান তীব্ৰতৰ কৰিছে। আজি পুনৰ কাশ্মীৰৰ শ্ব'পিয়ান জিলাৰ হীৰপোৰাত ভাৰতীয় সেনাই চলোৱাৰ অভিযানত তিনি দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নিহত হোৱাৰ দাবী কৰা হৈছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশিত খবৰ অনুসৰি দুটা পক্ষৰ সংঘৰ্ষত লস্কৰ-ই-তৈবাৰ তিনি দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নিহত হয়। জানিব পৰা মতে, পুৱা ৮ বজাৰ পৰা সংঘৰ্ষ আৰম্ভ হৈছিল। সেনাৰ সূত্ৰই গোপন তথ্যৰ ভিত্তিত সেনাবাহিনী আৰু সুৰক্ষা বাহিনীয়ে হীৰপোৰাত ঘেৰি লৈ অভিযান আৰম্ভ কৰে। সেনাৰ জনসংযোগ দপ্তৰৰ অতিৰিক্ত মহাপৰিচালকে এক্সত এটা পোষ্ট দি কয়, ১৩ মে'ত ৰাষ্ট্ৰীয় ৰাইফলছ ইউনিটে শ্ব'পিয়ান অঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতি সন্দৰ্ভত এক নিৰ্দিষ্ট গোপন সূত্ৰৰ ভিত্তিত সন্ধান আৰু অভিযান আৰম্ভ কৰে। অভিযান চলি থকা সময়ত সন্ত্ৰাসবাদীয়ে তীব্ৰ গুলীবৰ্ষণ আৰম্ভ কৰে আৰু তীব্ৰ সংঘৰ্ষৰ ফলত তিনি কট্টৰপন্থী নিহত হয়। নিহত তিনিজনৰ ভিতৰত দুজনক চিনাক্ত কৰা হৈছে। শ্ব'পিয়ানৰ শ্বাহিদ কুট্টে আৰু আদনান ছাফি দাৰ বুলি চিনাক্ত কৰা হৈছে। দুটা এ কে-৪৭ ৰাইফল, ১০ টা মেগজিন, ৩ টা হেণ্ড গ্ৰেনেড, ২ টা ৱায়াৰলেছ ছেট, ৩ টা মোবাইল ফোন আৰু গুলী উদ্ধাৰ কৰা হৈছে। এই তিনিজনে দ্য ৰেজিছটেণ্ট ফ্ৰণ্ট চমকৈ টিআৰএফ নামৰ সংগঠনৰ সদস্য আছিল। টিআৰএফ লস্কৰ-ই-তৈবাৰ এটা শাখা। এই তিনিজনৰ ২২ এপ্ৰিলৰ পেহেলগামত সংঘটিত আক্ৰমণৰ সৈতে নিহত সন্ত্ৰাসবাদীৰ সংযোগ আছে নেকি সেয়া এতিয়ালৈ সেনা পক্ষই স্পষ্ট কৰা নাই। সূত্ৰ অনুসৰি শ্বাহিদ কুট্টে ২০২৩ চনৰ মাৰ্চত সংগঠনটোত যোগ দিছিল। কুট্টে ২০২৪ চনৰ ৮ এপ্ৰিলত ডেনিচ ৰিজ'ৰ্টত হোৱা গুলীবৰ্ষণত জড়িত আছিল। য'ত দুজন জাৰ্মান পৰ্যটক আৰু এজন চালক আহত হৈছিল। তদুপৰি, ১৮ মে'ত শ্ব'পিয়ানৰ হীৰপোৰাত বিজেপি নেতাৰ হত্যাৰ ঘটনাতো কুট্টে জড়িত আছিল। আনহাতে, ২০১৫ চনৰ ৩ ফেব্ৰুৱাৰীত কুলগামৰ বেহিবাঘত টেৰিট'ৰিয়েল আৰ্মীৰ এজন জোৱানক হত্যা কৰা ঘটনাতো জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। আদনান ছাফি দাৰে জিডিএছ খানাবালত স্নাতকত পঢ়ি আছিল। ২০২৪ চনত সংগঠনত যোগ দিছিল। ২০২৪ চনৰ ১৮ অক্টোবৰ শ্ব'পিয়ানৰ ৱাচিত ভটাৰ খেতি-পথাৰত শ্ৰমিক হত্যাত আদনান জড়িত আছিল। আদনান ২০২৪ চনৰ ১৮ অক্টোবৰৰ পৰা নিখোজ হৈছিল আৰু ঘৰলৈ ঘূৰি অহা নাছিল। এই সময়ছোৱাৰ ভিতৰতে তেওঁ বিভিন্ন সন্ত্ৰাসমূলক কাণ্ডত জড়িত হৈ পৰে। ২০২৪ চনৰ এপ্ৰিল মাহত আটক কৰি ৫ দিন ধৰি কৰি সোধা-পোছা কৰা হৈছিল যদিও পিছত মুক্তি দিয়া হৈছিল। তৃতীয়জন শ্ব'পিয়ানৰ আমীৰ বছিৰ দাৰ হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতলৈ কু-দৃষ্টি দিলেই বিনাশ নিশ্চিত

দৰে স্বচ্ছ" হৈ পৰিছে বুলি দৃঢ়তাৰে কয় আৰু ভৱিষ্যতে যিকোনো সন্ত্ৰাসবাদী আক্ৰমণ "কঠোৰ উত্তৰ"ৰ সন্মুখীন হ'ব বুলি সকীয়াই দিয়ে। বিমান যোদ্ধা আৰু জোৱানক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, 'সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ 'লক্ষ্মণ ৰেখা' এতিয়া স্ফটিকৰ দৰে স্বচ্ছ হৈ পৰিছে।এতিয়া যদি আন এক সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হয় তেন্তে ভাৰতে এক কঠোৰ উত্তৰ দিব। অপাৰেচন সেন্দুৰ এতিয়া ভাৰতৰ নতুন স্বাভাৱিক স্থিতি।" অপাৰেচন সেন্দুৰক ভাৰতৰ উদ্দেশ্যৰ প্ৰতীক বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, 'অপাৰেচন সেন্দুৰ কোনো স্বাভাৱিক সামৰিক অভিযান নহয়। ই ভাৰতৰ নীতি, উদ্দেশ্য আৰু নিৰ্ণায়কতাৰ সংগম।" পাকিস্তানে অসামৰিক বিমানক ঢাল হিচাপে ব্যৱহাৰ কৰাৰ বিষয়ে প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "আমাৰ উদ্দেশ্য আছিল পাকিস্তানৰ ভিতৰৰ সন্ত্ৰাসবাদীৰ মুখ্য কাৰ্যালয় আৰু সন্ত্ৰাসবাদীক আক্ৰমণ কৰা। কিন্তু পাকিস্তানে অসামৰিক যাত্ৰীবাহী বিমানক গুলীৰ লাইনত ৰাখি ষড়যন্ত্ৰ ৰচনা কৰিছিল। মই মাত্ৰ কল্পনা কৰিব পাৰো যে সেয়া কিমান কঠিন আছিল। মই গৌৰৱান্বিত যে আপোনালোকে অসামৰিক বিমানৰ ক্ষতি নকৰাকৈয়ে আপোনাৰ উদ্দেশ্যত উপনীত হ'ল।" তেওঁ সামৰিক বিষয়াসকলক উদ্দেশ্য কৰি এই মন্তব্য কৰে। তেওঁ লগতে কয়, "সন্ত্ৰাসবাদৰ পৰিচালকসকলে এতিয়া বুজি পাইছে যে ভাৰতৰ ফালে চোৱাৰ যিকোনো প্ৰচেষ্টাৰ ফলত মাত্ৰ এটাই পৰিণতি হ'ব - ধ্বংস আৰু সম্পূৰ্ণ বিনাশ।" পাকিস্তানৰ পাৰমাণৱিক ব্লেকমেইলৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সশস্ত্ৰ বাহিনীৰ প্ৰচেষ্টাক স্বীকাৰ কৰি মোদীয়ে কয়, "যেতিয়া আমাৰ বাহিনীয়ে পাৰমাণৱিক ব্লেকমেইলৰ ভাবুকি নিৰাময় কৰিছিল, তেতিয়া আকাশৰ পৰা পৃথিৱীলৈ এটা ধ্বনি প্ৰতিধ্বনিত হৈছিল — ভাৰত মাতা কি জয়।" তেওঁ সামৰিক কাৰ্যৰ প্ৰশংসা কৰি কৰি কয়, "আপোনালোকে তেওঁলোকক সন্মুখৰ পৰা আক্ৰমণ কৰি নিশ্চিহ্ন কৰিলে। আপোনালোকে সন্ত্ৰাসবাদৰ সকলোতকৈ ডাঙৰ ঘাটি ধ্বংস কৰিলে। পাকিস্তানে প্ৰতিশোধ লোৱাৰ প্ৰচেষ্টাৰ ব্যৰ্থতাত আলোকপাত কৰি তেওঁ কয়, "অপাৰেচন সেন্দুৰৰ দ্বাৰা শত্ৰুসকলে আতংকিত হৈ আমাৰ বিমান ঘাটিসমূহক লক্ষ্য কৰি লোৱাৰ চেষ্টা কৰিছিল, কিন্তু পাকিস্তানৰ অসৎ উদ্দেশ্য প্ৰতিবাৰেই বিফল হৈছিল। তেওঁলোকৰ ড্ৰ'ন, বিমান আৰু মিছাইল আমাৰ শক্তিশালী বায়ু প্ৰতিৰক্ষাৰ সৈতে কোনো তুলনা নাছিল।" লগতে তেওঁ বিমান ঘাটিটোৰ নেতৃত্বক প্ৰশংসা কৰি কয়, "বিমানঘাটিটোৰ নেতৃত্বৰ প্ৰতি আৰু প্ৰতিজন বিমান যোদ্ধালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনালোক সকলোৱে এক উৎকৃষ্ট কাম কৰিলে। ভৱিষ্যতে যদি কোনো সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হয় তেন্তে ভাৰতে নিশ্চিতভাৱে উপযুক্ত উত্তৰ দিব।" প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ তিনি দফীয়া মতবাদ বুলি অভিহিত কৰা মতবাদৰ পুনৰ উল্লেখ কৰি কয়, "প্ৰথমতে যদি ভাৰতত সন্ত্ৰাসবাদী আক্ৰমণ হয়, তেন্তে আমি আমাৰ পথত, আমাৰ চৰ্তত, আমাৰ সময়ৰ ওপৰত উত্তৰ দিম। দ্বিতীয়তে, ভাৰতে কোনো ধৰণৰ পাৰমাণৱিক ব্লেকমেইল সহ্য নকৰে। তৃতীয়তে, সন্ত্ৰাসবাদী সমৰ্থক চৰকাৰ আৰু সন্ত্ৰাসবাদৰ মাষ্টাৰমাইণ্ডক আমি পৃথক সত্তা হিচাপে গণ্য নকৰিম।" তেওঁ লগতে কয় যে বিশ্বই এতিয়া ভাৰতৰ "নতুন ৰূপ" আৰু "নতুন ব্যৱস্থা"ক স্বীকৃতি দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰযুক্তিগত শ্ৰেষ্ঠত্ব সন্দৰ্ভতো মন্তব্য কৰি কয়, 'পাকিস্তানে আমাৰ নতুন আৰু অত্যাধুনিক প্ৰযুক্তিৰ সৈতে প্ৰতিযোগিতা কৰিব নোৱাৰে। আমাৰ সেনাবাহিনীত বিশ্বৰ শ্ৰেষ্ঠ প্ৰযুক্তি আছে, যিয়ে প্ৰত্যাহ্বানসমূহো বৃদ্ধি কৰে। আপোনালোক সকলোৱে জটিল ব্যৱস্থাসমূহ অতি দক্ষতাৰে চলাইছিল। এয়া এক দক্ষতা। আপোনালোক সকলোৱে প্ৰমাণ কৰিছে যে আপোনালোক এই খেলত বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ।" পাকিস্তানলৈ দিয়া বহল বাৰ্তা সন্দৰ্ভত তেওঁ দৃঢ়তাৰে কয়, "আমি তেওঁলোকক ধূলি কৰি পেলাইছোঁ। ভাৰতীয় সেনা, ভাৰতীয় বায়ুসেনা আৰু ভাৰতীয় নৌসেনাই পাকিস্তানী সেনাক পৰাস্ত কৰিছে। আমি তেওঁলোকক এটা বাৰ্তা দিলোঁ যে পাকিস্তানত এনে কোনো ঠাই নাই য'ত সন্ত্ৰাসবাদীয়ে শান্তিপূৰ্ণভাৱে থাকিব পাৰে। 'আমি আপোনাৰ ঘৰত প্ৰৱেশ কৰি আপোনাক নিৰ্মূল কৰিম।" প্ৰধানমন্ত্ৰী মোদীয়ে কঠোৰ সতৰ্কবাণীৰে এইদৰে সামৰণি মাৰে- 'পাকিস্তানৰ আবেদনৰ পিছত ভাৰতে কেৱল সামৰিক কাৰ্যকলাপ স্থগিত ৰাখিছে। যদি পাকিস্তানে পুনৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ বা সামৰিক সাহস দেখুৱায় তেন্তে আমি এটা উপযুক্ত উত্তৰ দিম। এই উত্তৰ আমাৰ চৰ্তত, আমাৰ শৈলীত হ'ব। এই সিদ্ধান্তৰ ভিত্তি, ইয়াৰ আঁৰৰ বিশ্বাস, আপোনালোকৰ ধৈৰ্য, সাহস আৰু সজাগতা। আপোনালোকে এই উদ্যম বজাই ৰাখিব লাগিব, আমি সজাগ আৰু প্ৰস্তুত হ'ব লাগিব।'

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ কাকুতি-মিনতিতেই হৈছিল

যে পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানগৰাকীয়ে ভাৰতীয় সমকক্ষৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰাত কাৰিকৰী অসুবিধাৰ সন্মুখীন হৈছিল। সেয়ে নতুন দিল্লীত থকা পাকিস্তান উচ্চায়ুক্তৰ জৰিয়তে প্ৰায় ১২.৩৭ বজাত এই অনুৰোধ প্ৰেৰণ কৰা হয়। এই বাৰ্তা বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হয় আৰু পৰৱৰ্তী সময়ত দেশৰ সশস্ত্ৰ বাহিনীলৈ প্ৰেৰণ কৰা হয়। বুজাবুজিৰ নিৰ্দিষ্ট তাৰিখ আৰু সময় দুয়োখন দেশৰ ডিজিএমঅ'ৰ মাজত কৰা হৈছিল, যি ১৫.৩৫ বজাত আৰম্ভ হৈছিল। এই কলটোৰ বাবে এমইএয়ে পাকিস্তানী উচ্চ আয়োগৰ পৰা অনুৰোধ লাভ কৰিছিল। --মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়। "তেতিয়া ভাৰতীয় ডিজিএমঅ'ৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি সময় নিৰ্ধাৰণ কৰা হৈছিল," তেওঁ আলোকপাত কৰে। বাৰ্তালাপৰ বাবে পাৰস্পৰিকভাৱে সন্মত সময় পিছত আবেলি ৩.৩৫ বজাত নিৰ্ধাৰণ কৰা হৈছিল, যাৰ পিছত দুয়োপক্ষই সামৰিক পদক্ষেপ বন্ধ কৰিবলৈ সন্মত হৈছিল, এমইএৰ মুখপাত্ৰজনে কয়। এইদৰে প্ৰথমবাৰৰ বাবে এমইএ-য়ে যুদ্ধবিৰতি কেনেদৰে হৈছিল আৰু যুদ্ধবিৰতি পৰিকল্পনাত মন্ত্ৰালয় কেনেদৰে জড়িত আছিল তাৰ বিৱৰণ দিছিল। এমইএৰ মুখপাত্ৰজনে লগতে কয় যে ভাৰতীয় সশস্ত্ৰ বাহিনী আৰু ভাৰতীয় বায়ুসেনাই কৰা এক "অত্যন্ত কাৰ্যকৰী" পদক্ষেপে পাকিস্তানৰ বিমান ঘাটিসমূহক কাৰ্যকলাপৰ পৰা আঁতৰাই ৰাখিছে আৰু পাকিস্তানে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ শক্তিৰ সন্মুখীন হৈ যুদ্ধবিৰতিৰ আহ্বান জনাইছে। "আমাৰ ভূমিকা আৰম্ভণিৰ পৰা স্পষ্ট আৰু স্থায়ী আছিল। আমি পাকিস্তানৰ পৰা চলা সন্ত্ৰাসবাদী পৰিকাঠামোক লক্ষ্য কৰি লৈছিলোঁ। যদি পাকিস্তানী সেনা আঁতৰি থাকে, তেনেহ'লে কোনো সমস্যা নহ'ব। যদি তেওঁলোকে আমাৰ ওপৰত গুলীচালনা কৰে, আমি যথাযোগ্য প্ৰতিক্ৰিয়া দিম। ৯ মে'ৰ ৰাতিলৈকে, পাকিস্তানে ভাৰতক এক বৃহৎ আক্ৰমণৰ ভাবুকি দিছিল। ১০ মে'ৰ পুৱা তেওঁলোকৰ প্ৰয়াস বিফল হোৱাৰ পিছত আৰু ভাৰতৰ পৰা বিধ্বংসী প্ৰতিক্ৰিয়া পোৱাৰ পিছত তেওঁলোকৰ সুৰ সলনি হৈছিল আৰু তেওঁলোকৰ ডিজিএমঅ'ই শেষত আমাৰ লগত যোগাযোগ কৰিলে," --জয়ছোৱালে দিল্লীত অনুষ্ঠিত সংবাদমেলখনত কয়। জয়ছোৱালৰ মতে, ১০ মে'ৰ পুৱা ভাৰতীয় বায়ুসেনাই নেতৃত্ব দিয়া ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে "মুখ্য পাকিস্তানী বায়ুসেনাৰ ঘাটিত অত্যন্ত কাৰ্যকৰী আক্ৰমণ" কৰিলে। "এই কাৰণেই তেওঁলোকে এতিয়া গুলী চলাবলৈ আৰু সেনা অভিযান বন্ধ কৰিবলৈ উদ্যত।," -মুখপাত্ৰগৰাকীয়ে কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীৰ মন্তব্যৰ বিৰোধিতা পাকৰ

মোদীৰ এই ভাষণৰ এদিন পিছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে। পাকিস্তানে মোডীৰ এই বক্তব্যই সন্ত্ৰাসবাদক উদগনি জনোৱা বুলি দাবী কৰে। পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ এই বক্তব্যক প্ৰত্যাখ্যান কৰা বুলি দাবী কৰে। সোমবাৰে দেশবাসীৰ আগত দিয়া ভাষণত মোদীয়ে ভাৰতীয় সেনাবাহিনীক অতিশয় প্ৰশংসা কৰে। একে সময়তে তেওঁ অপাৰেচন সিন্দূৰৰ সফলতাৰ বিষয়েও আলোচনা কৰে। মোদীয়ে কয়, বিশ্বৰ সকলো সন্ত্ৰাসবাদী আক্ৰমণ একেডাল সূতাৰেই বান্ধ খাই আছে। সেয়ে পাকিস্তানত থকা সন্ত্ৰসবাদীৰ মূল মূল কাৰ্যালয় ধ্বংস কৰি পেলোৱা হৈছে। মোদীয়ে লগতে কয় যে অপাৰেচন সিন্দুৰ এতিয়াও শেষ হোৱা নাই। ইছলামাবাদৰ অনুৰোধত সাময়িকভাৱেহে এই অভিযান স্থগিত ৰখা হৈছে। মোদীয়ে সকীয়াই দিয়ে যে আলোচনা আৰু সন্ত্ৰাসবাদ একেলগে থাকিব নোৱাৰে। কেৱল সেয়াই নহয়, 'পানী আৰু তেজ একেলগে বৈ যাব নোৱাৰে' বুলিও মন্তব্য কৰে মোদীয়ে। মোদীৰ এই ভাষণৰ প্ৰত্যুত্তৰত পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এক দীঘলীয়া বিবৃতিত পাকিস্তানে কয় যে পাকিস্তানে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ মন্তব্য নাকচ কৰিছে। মোদীৰ মন্তব্যত ভুল তথ্য , ৰাজনৈতিক ষড়যন্ত্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰতি স্পষ্ট অৱজ্ঞা পৰিলক্ষিত হৈছে। পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে দাবী কৰিছে যে পাকিস্তান শেহতীয়া যুদ্ধবিৰতি চুক্তিৰ প্ৰতি দায়বদ্ধ। উত্তেজনা হ্ৰাস কৰি আঞ্চলিক স্থিতিশীলতা অৰ্জনৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে বিবৃতিটোত কয় যে ভাৰতে আঞ্চলিক স্থিতিশীলতা আৰু নাগৰিকৰ মংগলৰ বাবে অগ্ৰাধিকাৰ দিব বুলি আমি আশা কৰিছো। পাকিস্তানেও ভৱিষ্যতে ভাৰতৰ যিকোনো আগ্ৰাসনৰ প্ৰতি সঁহাৰি জনাব। পাকিস্তানে সকীয়াই দিয়ে যে পাকিস্তানৰ শান্তিৰ প্ৰতি দায়বদ্ধতাক দুৰ্বলতা বুলি গণ্য কৰাটো ভুল হ'ব। পাকিস্তানে বিচাৰে শান্তিপূৰ্ণ সমাধান। আনকি কাশ্মীৰৰ শান্তিপূৰ্ণ সমাধানৰো পক্ষপাতী। উল্লেখ্য যে ভাৰতে আৰম্ভণিৰে পৰাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে সৰৱ হৈ আহিছে। মোদীৰ ভাষণতো সেয়া স্পষ্ট হৈ পৰিছে। ভাৰতে পাকিস্তানে সন্ত্ৰাসবাদক সমৰ্থন কৰা বুলি অভিযোগ উত্থাপন কৰিছে। গতিকে কেৱল সন্ত্ৰাসবাদৰ বিৰুদ্ধেই নহয়, সন্ত্ৰাসবাদক সমৰ্থন কৰাসকলৰ বিৰুদ্ধেও এই যুঁজ অব্যাহত থাকিব বুলি মোদীয়ে সকীয়াই দিয়ে। ইফালে, ভাৰতৰ অভিযোগ অস্বীকাৰ কৰি পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে পাকিস্তানো সন্ত্ৰাসবাদৰ বলি বুলি দাবী কৰে। পাকিস্তানে কয় যে দীৰ্ঘদিন ধৰি আমি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি আহিছো। ইয়াৰ উপৰি যুদ্ধবিৰতিৰ মধ্যস্থতাকাৰীৰ বাবে পাকিস্তানে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু বিশ্বৰ অন্যান্য নেতাসকলক ধন্যবাদ জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিবিএছইৰ দশম-দ্বাদশৰ ফলাফল

আৰু দ্বাদশ শ্ৰেণীৰ ফলাফল। পূৰ্বৰ তুলনাত দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণৰ হাৰ সামান্য বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে ২০২৫ চনৰ ১৫ ফেব্ৰুৱাৰীৰ পৰা ১৮ মাৰ্চলৈ চিবিএছই-এ দশম শ্ৰেণীৰ পৰীক্ষাসমূহ অনুষ্ঠিত কৰে। এইবাৰ ৮৪ টা বিষয়ত ২৪.১২ লাখ ছাত্ৰ-ছাত্ৰী দশম পৰীক্ষাত অৱতীৰ্ণ হৈছিল। চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠ ১৭,০৪,৩৬৭ জন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ প্ৰপত্ৰ পূৰ কৰিছিল যদিও ১৬,৯২,৭৯৪ জন ছাত্ৰ-ছাত্ৰীয়েহে পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰে ১৪,৯৬,৩০৭ জন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। উল্লেখ্য যে ৩৩ শতাংশ বা তাতোকৈ বেছি নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকল এই পৰীক্ষাত উত্তীৰ্ণ হৈছে। কোনো শিক্ষাৰ্থীয়ে যদি এক বা দুই নম্বৰৰ বাবে ৩৩ শতাংশ নম্বৰ লাভ কৰা নাই তেন্তে সেই শিক্ষাৰ্থীক গ্ৰেছ নম্বৰ দি উত্তীৰ্ণ কৰোৱা হৈছে। উল্লেখ্য যে ২০২৪-২৫ চনৰ শৈক্ষিক বৰ্ষৰ পৰা চিবিএছই-এ 'আপেক্ষিক গ্ৰেডিং' ব্যৱস্থা প্ৰৱৰ্তন কৰিছে, যাৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক, মানসিক চাপ আৰু অস্বাস্থ্যকৰ প্ৰতিযোগিতা হ্ৰাস কৰা। ফলত বিষয়ভিত্তিক প্ৰদৰ্শন আৰু উত্তীৰ্ণ প্ৰাৰ্থীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিটো শ্ৰেণীৰ বাবে কাটঅফ ভিন্ন হ'ব পাৰে। এইবাৰ ১৫ ফেব্ৰুৱাৰীৰ পৰা ৪ এপ্ৰিললৈকে অনুষ্ঠিত হোৱা চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ৪২ লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। ১৮ মাৰ্চত দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষা আৰু ৪ এপ্ৰিলত দ্বাদশ শ্ৰেণীৰ পৰীক্ষা সমাপ্ত হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৬ত নতুন ৰণকৌশলেৰে যুঁজিব

যোৰহাট লোকসভাৰ সাংসদ গৌৰৱ গগৈ, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি প্ৰায়বোৰ বিৰোধী নেতাই নাও বুৰিলেও টিঙৰ পৰা ননমা নীতিৰে নিজৰ নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰা পৰিলক্ষিত হৈছে। যোৰহাট লোকসভা সমষ্টিত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয়ৰ পিছতে বিজেপিক পুনৰ আক্ৰমণৰ লক্ষ্য কৰি লয়। ফলাফল ওলোৱাৰ পিছতে মুখ্যমন্ত্ৰীয়ে যোৰহাটত কৰিবলগীয়া বহু আছে বুলি কৈ গৌৰৱ গগৈৰ পূৰ্বৰ জনপ্ৰিয়তা নাই বুলি কৈছিল। তাৰ মাজতে পঞ্চায়ত নিৰ্বাচনক লৈ সাংসদ গৌৰৱ গগৈয়ে নিজ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গৌৰৱ গগৈয়ে কয় যে পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীসকলে যোদ্ধাৰ দৰে নামি পৰিছিল। ভয়-ভীতিৰ প্ৰয়াস কৰা হৈছিল। চৰকাৰী যন্ত্ৰণাৰ অপব্যৱহাৰৰ কৰা হৈছিল। বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক জোঁট এককভাৱে জয়ী হৈছে বুলি কৈ যোৰহাটৰ সাংসদগৰাকীয়ে কংগ্ৰেছ প্ৰাৰ্থীসকলৰ সাহসিকতাৰ প্ৰশংসা কৰে। গৌৰৱ গগৈয়ে কংগ্ৰেছ প্ৰাৰ্থীসকলে ভয়-ভীতিৰ পৰিৱেশৰ সন্মুখীন হোৱা বুলি দাবী কৰি কয় যে বিভিন্ন শক্তি আৰু আৰক্ষীৰ শক্তিৰ ব্যৱহাৰ সত্ত্বেও কংগ্ৰেছৰ যোদ্ধাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। এই কথা সকলোৰে চকুত পৰিছে। এনে পৰিস্থিতি আগতে অসমৰ ৰাজনীতিৰ ইতিহাসত দেখা পোৱা হোৱা নাছিল। বিজেপিৰ শক্তিশালী স্থিতিৰ কথা স্বীকাৰ কৰি গৌৰৱ গগৈয়ে কয় যে ৰাজনীতিত ভাগ্য কেতিয়াও স্থায়ী নহয়। ভাগ্য পৰিবৰ্তনশীল। ৰাজনীতি একো স্থায়ী নহয়। আমি যোৱা বছৰৰ লোকসভা নিৰ্বাচনত তিনিখন আসনত জয়ী হৈছিলো। এটা বছৰৰ ভিতৰতে পৰিস্থিতি সলনি হ'ল আৰু আহি থকা বছৰতো সলনি হ'ব। গৌৰৱ গগৈয়ে আৰু কয় যে কংগ্ৰেছে ইতিমধ্যে আগন্তুক নিৰ্বাচনৰ বাবে নিজৰ শক্তি বৃদ্ধি কৰি নতুন প্ৰক্ৰিয়া তৈয়াৰ কৰিছে। আমি আমাৰ প্ৰাৰ্থীসকলৰ সৈতে আলোচনা কৰিছো। ক'ত ব্যৱস্থা সাধন কৰিব পাৰি তাৰ মূল্যায়ন কৰিছো। যিদৰে বিজেপিয়ে যোৰহাট লোকসভা নিৰ্বাচনত পৰাজয়ৰ পিছত নিজৰ ৰণনীতি পুনৰ গঠন কৰিছে আমি তেনেদৰে চিহ্নিত কৰি কাম কৰি আছো। আমাৰ চিন্তা বিজেপিক লৈ নহয়, কিন্তু আমি জনতাৰ পৰা কি শিকিলো সেইটোক লৈ চিন্তা কৰিছো। কংগ্ৰেছক ভোট দিলে, এইবাৰ বিজেপিক দিলে — সেয়া আমি বুজিবলৈ চেষ্টা কৰিছো। আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত আমি পুনৰ উত্থান ঘটাবলৈ সাজু হৈছো। আমি ভাল ফলাফল কৰিম। আনহাতে পঞ্চায়ত নিৰ্বাচনত অংশগ্ৰহণ কৰা কংগ্ৰেছ দলৰ সকলো প্ৰাৰ্থী আৰু ভোটাৰ ৰাইজক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই। আজি এক বিবৃতিত বৰাই কয় যে গ্ৰাম্যঞ্চলৰ উন্নয়ন আৰু সামগ্ৰিক বিকাশৰ স্বাৰ্থত কংগ্ৰেছে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাতো বিচাৰিছিল আৰু গান্ধীজীৰ সপোনৰ গ্ৰাম্য স্বৰাজ যাতে ৰাইজৰ পদূলিত অনুভৱ হয় তাৰ বাবে কংগ্ৰেছ দলে সদায় ক্ষমতাৰ বিকেন্দ্ৰীকৰণ বিচাৰে। বৰ্তমানৰ চৰকাৰখনে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বিচৰা নাছিল আৰু কংগ্ৰেছ দলে পঞ্চায়ত নিৰ্বাচন অনুষঅঠইত কৰিবলৈ চৰকাৰক বাধ্য কৰালে। গ্ৰাম্য উন্নয়নত পঞ্চায়তৰ বাবে ব্যয় কৰিবলগীয়া ১১০০ কোটি টকা এতিয়া জমা আছে আৰু নতুন পঞ্চায়তত এই পুঁজি ব্যয় কৰি অসমৰ গ্ৰাম্যঞ্চলৰ ৰাইজৰ বিকাশ সাধন কৰিব পাৰিব। আজি ৰঙানদী সমষ্টিত ব্লক কংগ্ৰেছৰ উদ্যোগত ৰঙানদী সমষ্টিৰ জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদৰ বিজয়ী প্ৰাৰ্থীসকলৰ এক সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি বৰাই কয় যে কংগ্ৰেছ দলৰ জয় আৰু পৰাজয় দুয়োটা কাৰকেই প্ৰতিকূল ৰাজনৈতিক পৰিৱেশৰ বাবে হৈছে আৰু সেই বিষয়সমূহ আমি দলীয় মঞ্চত বিস্তাৰিতভাৱে আলোচনা কৰি ২০২৬ চনত নতুন শক্তিৰে বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হ'ম। অসমৰ ৰাইজে কংগ্ৰেছ দলক পুনৰ মৰম আৰু আশীৰ্বাদ দিব বুলি আশা প্ৰকাশ কৰে বৰাই। ইফালে, এই ফলাফলক লৈ ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়েও ব্যক্ত কৰিছে নিজৰ প্ৰতিক্ৰিয়া। পঞ্চায়ত নিৰ্বাচনত ন-কৈ গঠিত ৰাইজৰ দলে উজনি অসম, নামনি অসম বৰাক উপত্যকাত দুই-এখনকৈ আসন লাভ কৰিবলৈ সক্ষম হৈছে। জিলা পৰিষদত ৰাইজৰ দলে সমগ্ৰ অসমত তিনিখন আসন লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে আঞ্চলিক পঞ্চায়তত ২৫১ খন আসন লাভ কৰিবলৈ সক্ষম হোৱা বুলি দাবী কৰিছে ৰাইজৰ দলে। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ শিৱসাগৰ সমষ্টিত শোচনীয় পৰাজয় হৈছে। অখিল গগৈয়ে নিজৰ সন্মান ৰক্ষা কৰিবলৈ সক্ষম নহ'ল। কিন্তু তাৰ পিছতো অখিল গগৈয়ে নাও বুৰিলেও টিঙৰ পৰা নমা নাই। অখিল গগৈয়ে আজিও নিজৰ দলৰ ফলাফল বেয়া হোৱাৰ বাবে কংগ্ৰেছক দোষাৰোপ কৰিছে। লগতে বিধানসভা নিৰ্বাচনত মিত্ৰতা কৰিবলৈ কংগ্ৰেছৰ বাবে ৰৈ নাথাকে বুলি উল্লেখ কৰিছে। প্ৰয়োজনত বিধানসভা নিৰ্বাচনত ১২৬ সমষ্টিতে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি আজি মন্তব্য দি মিত্ৰতাৰ বাবে চিঞৰি নাথাকো বুলি ঘোষণা কৰে। আজি কাজিৰঙা জাতীয় অৰ্কিড পাৰ্কত সংবাদমেল সম্বোধন কৰি অখিল গগৈয়ে কয় যে ৰাইজৰ দলে পঞ্চায়ত নিৰ্বাচনত চতুৰ্থ স্থান দখল কৰিবলৈ সক্ষম হৈছে। ৩ বছৰীয়া দল এটাই প্ৰথমবাৰৰ বাবে পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হৈ জিলা পৰিষদৰ ৩ জন, আঞ্চলিক পঞ্চায়তৰ ১৯ জন আৰু ২৫০ জন ৱাৰ্ড সদস্য বিজয়ী হৈছে। উজনি, নামনি, উত্তৰ অসম, মধ্য অসমৰ লগতে বৰাক উপত্যকাত ভাল ফলাফল কৰা বুলি কয় গগৈয়ে। অখিল গগৈয়ে লগতে কয় যে পঞ্চায়ত নিৰ্বাচনত শাসকীয় দলে ভাল ফলাফল কৰাটো পৰম্পৰা। শাসকীয় দলে চৰকাৰী বিভিন্ন আঁচনিৰে ৰাইজক ব্লেকমেইল কৰিছে। বিজেপি দলে তেওঁলোকৰ লগত থাকিলেহে অৰুণোদয়ৰ পৰা আৰম্ভ কৰি বিভিন্ন আঁচনি লাভ কৰিব বুলি কৈ ভোটাৰক প্ৰৰোচিত কৰা বুলি কয়। বিৰোধী দলসমূহে এক হ'ব নোৱাৰিলে বিজেপিক হৰুৱাব নোৱাৰিব বুলি দাবী কৰি গগৈয়ে কয় যে কংগ্ৰেছে আমাক চাৰিবাৰ ঠগিছে। আমি আৰু কংগ্ৰেছৰ ওচৰলৈ নাযাওঁ। কংগ্ৰেছ আগবাঢ়ি আহিলেহে কথা পতা হ'ব। একত্ৰিত নোহোৱাৰ বাবে বিৰোধী দলৰ ক্ষতি হৈছে। পঞ্চায়ত নিৰ্বাচনৰ পৰা বিৰোধীয়ে শিক্ষা ল'ব লাগে। বিধানসভাত বুজাবুজি নহ'লে ৰাইজৰ দলে ১২৬ খন আসনত প্ৰাৰ্থী থিয় কৰিব ঘোষণা কৰে অখিল গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাক উচ্চায়ুক্তই এৰিব লাগিব দিল্লী!

এৰাৰ কঠোৰ নিৰ্দেশ দিছে ভাৰত চৰকাৰে। পাকিস্তানৰ হৈ চোৰাংচোৰাগিৰি কৰাৰ অভিযোগৰ পিছতে বিষয়াসকলক ভাৰত এৰাৰ নিৰ্দেশ দিয়া হৈছে। ভাৰত চৰকাৰে পাকিস্তান উচ্চ আয়োগত নিযুক্ত এজন পাকিস্তানী বিষয়াক 'অযোগ্য ব্যক্তি' হিচাপে ঘোষণা কৰিছে। কূটনৈতিক দায়িত্বত থকা বিষয়াজনে অসামঞ্জস্যপূৰ্ণ কাৰ্যকলাপত জড়িত থকাৰ অভিযোগ উত্থাপন হৈছিল। পাকিস্তানী বিষয়াক ২৪ ঘণ্টাৰ ভিতৰত দেশ এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছে। এই সিদ্ধান্তৰ বিষয়ে ভাৰত চৰকাৰে পাকিস্তান উচ্চায়ুক্তক এখন আনুষ্ঠানিক পত্ৰৰ জৰিয়তে জনোৱা হৈছে। এই পদক্ষেপ ভাৰত-পাকিস্তানৰ মাজত তীব্ৰ উত্তেজনা অব্যাহত থকাৰ সময়ত লোৱা হৈছে। উল্লেখযোগ্য যে এই উত্তেজনা অপাৰেচন সিন্দূৰৰ পিছত পাকিস্তানে সীমান্তৰ সিপাৰৰ পৰা গোলাবৰ্ষণ কৰাৰ পিছত লোৱা হৈছে। উল্লেখ্য, অপাৰেচন সিন্দুৰ পাকিস্তানৰ ভিতৰত থকা সন্ত্ৰাসবাদীৰ ঘাটিক লক্ষ্য কৰি চলোৱা হৈছিল। ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত এক সন্ত্ৰাসবিৰোধী আক্ৰমণৰ প্ৰত্যুত্তৰ দিছিল ভাৰতে। এতিয়া ভাৰতৰ এই সিদ্ধান্তৰ পিছত পাকিস্তানৰ প্ৰতিক্ৰিয়াও হ'ব লক্ষণীয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# চেলেংহাটত পথ নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ

## আটছাৰ স্মাৰক-পত্ৰ

**ই-সংবাদ, মৰিয়নি, ১৩ মে':** যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত চেলেংহাটত নিৰ্মাণৰত অৱস্থাত থকা দুটাকৈ পথত বৃহৎ অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। পথ দুটাৰ নিৰ্মাণ কাৰ্যক লৈ অসন্তুষ্ট অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছা। সংগঠনটোৰ চেলেংহাট উপশাখাই পথ দুটাৰ নিৰ্মাণকাৰ্যত জড়িত দুই ঠিকাদাৰী পক্ষৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অভিযোগ অনুসৰি, মৰিয়নি সমষ্টিৰ অধীনৰ চেলেং চাহ বাগিচা আৰু ধোদৰ আলি সংযোগী পথ নিৰ্মাণৰ শেষাংশ ৭ পৃষ্ঠাত

# বড়মপুৰৰ গাৰোখুন্দাত জিকিও হাৰিল ৱাৰ্ড সদস্যা স্বপ্না দেৱী

## ১০০টা ভোটৰ ব্যৱধানত জয়ী হৈয়ো নাপালে জয়ী হোৱাৰ প্ৰমাণপত্ৰ

**ই-সংবাদ, কামপুৰ, ১৩ মে':** দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ভোট গণনাত ১০০ ভোটৰ ব্যৱধানত জয়ী বুলি ঘোষিত বড়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত এগৰাকী প্ৰাৰ্থীয়ে লাভ নকৰিলে জয় হোৱাৰ প্ৰমাণ পত্ৰ। বিধানসভা সমষ্টিটোৰ অন্তৰ্গত যমুনামুখ জিলা পৰিষদৰ ১১ নং গাৰোখুন্দা গাঁও পঞ্চায়তৰ ৯ নং ৱাৰ্ডত স্বপ্না দেৱী আৰু মামনী হাজৰিকাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। যোৱা ১১ মে'ৰ নিশা নগাঁও চৰকাৰী বালক বিদ্যালয়ত পঞ্চায়তখনৰ ভোট গণনা সম্পন্ন হয়। ভোট গণনাত শেষাংশ ৯ পৃষ্ঠাত

# শোকাকুল পৰিৱেশত সম্পন্ন মৃগাংকৰ অন্ত্যেষ্টিক্ৰিয়া

## নলবাৰীত কান্দোনৰ ৰোল



**ই-সংবাদ, বাঁহজানী, ১৩ মে':** কালি গুৱাহাটী মহানগৰীত সংঘটিত হৈছিল এক ভয়ংকৰ ঘটনা। গুৱাহাটী মহানগৰীৰ গড়চুকৰ চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনাৰ পিছত আজি সন্ধিয়াৰ ভাগত মৃগাংক বৰ্মনৰ মৃতদেহ নলবাৰীৰ ৭ পৃষ্ঠাত চাওক

# গোলকগঞ্জত দুটা পঞ্চায়তৰ পুনৰ গণনা কৰি এটাত কংগ্ৰেছক পৰাস্ত কৰাৰ অভিযোগ

**ই-সংবাদ, গোলকগঞ্জ, ১৩ মে':** ধুবুৰী জিলাৰ নৱগঠিত গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত পঞ্চায়ত ভোটত বিজেপিয়ে ধনবল, বাহুবলৰ লগতে প্ৰশাসনক ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ তথা গোলকগঞ্জ সমষ্টিৰ বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰে। কালি ভোট গণনা শেষ হোৱাৰ পিছতে গোলকগঞ্জ ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত তেওঁ কয় যে পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে ধনবল, বাহুবলৰ লগতে প্ৰশাসনক ব্যৱহাৰ কৰি পঞ্চায়ত দখলৰ শেষাংশ ৭ পৃষ্ঠাত

# ৱাৰ্ড সদস্য পদত দ্বিতীয়বাৰলৈ জয়ী এমবিএ ডিগ্ৰীধাৰী মেঘনাথ ভৰদ্বাজ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ মে':** তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩২ নং টিপুক গাঁও পঞ্চায়তৰ ২ নং ৱাৰ্ডত দ্বিতীয়বাৰলৈ জয়ী হোৱা মেঘনাথ ভৰদ্বাজক লৈ এতিয়া পঞ্চায়তখনত বেছ চৰ্চা আৰম্ভ শেষাংশ ৮ পৃষ্ঠাত

# ডিব্ৰুগড়ত সদৌ অসম আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ডিব্ৰুগড়, ১৩ মে':** "পদ্মনাথ গোহাঞিবৰুৱা এজন প্ৰকৃত অসমীয়া-এজন প্ৰকৃত জাতীয়তাবাদী ব্যক্তি আছিল 'জয় আই অসম' নোকোৱাকৈ তেওঁ অসমীয়া জাতিৰ বাবে যিখিনি কৰি গ'ল কোনেও কোনো কালে অমান্য কৰিব নোৱাৰে। কিন্তু অসমীয়া ভাষা-সাহিত্যৰ বাবে অহোপুৰুষাৰ্থ অৱদান দি যোৱা সাহিত্য কাণ্ডাৰী শেষাংশ ৮ পৃষ্ঠাত

# 'নিৰ্বাচনৰ পূৰ্বে ভূপেন বৰাই সপোন দেখে'

## ভূপেন বৰাৰ সপোনক মুংগেৰীলাল কী হাছিন স্বপ্ন আখ্যা মন্ত্ৰী জয়ন্তৰ

**ই-সংবাদ, ১৩ মে':** প্ৰতিটো নিৰ্বাচনৰ পূৰ্বে ভূপেন বৰাই সপোন দেখে। 'মুংগেৰীলাল কা হাছিন স্বপ্না'ৰ দৰে ভূপেন বৰাই সপোন দেখে। নিৰ্বাচন শেষ হোৱাৰ পিছত নিৰ্বাচনত কিয় হাৰিলে ভূপেন বৰাই তাৰো কাৰণ উল্লেখ কৰে।- এই মন্তব্য মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। আজি সংবাদ মাধ্যমৰ আগত পঞ্চায়ত নিৰ্বাচনৰ ফলাফলক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে ভূপেন বৰাক তীব্ৰ কটাক্ষ কৰে। ভূপেন বৰাৰ সপোনক 'মুংগেৰিলাল কা হাছিন স্বপ্নে'ৰ লগত তুলনা কৰি কংগ্ৰেছ সভাপতিগৰাকীক তুলা-ধুনা দিয়ে মন্ত্ৰীগৰাকীয়ে। তেওঁ পুনৰ কয় যে এনেও ভূপেনবৰা আৰু মুংগেৰীলালৰ মাজত বহুত ৯ পৃষ্ঠাত

## ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলাৰ অভিযোগ

# নগাঁৱৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত জধে-মধে গঢ়ি উঠিছে শিক্ষানুষ্ঠান



**ই-সংবাদ, বেবেজীয়া, ১৩ মে':** ৰাজ্যত শিক্ষাৰ মান অধিক উন্নত কৰাৰ অৰ্থে শিক্ষা বিভাগে নানা পদক্ষেপ গ্ৰহণ কৰি আহিছে। কিন্তু সমাজৰ এচাম সুবিধাবাদী লোকে শিক্ষা ব্যৱস্থাক ব্যৱসায় হিচাপে লৈ ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলি মুনাফা আদায় কৰাতহে মনোনিবেশ কৰি আহিছে। কিয়নো বিগত কিছুবছৰৰ পৰা ৰাজ্যত ক্ৰমান্বয়ে বৃদ্ধি পাই শেষাংশ ৭ পৃষ্ঠাত

# ৯ গৰাকী বিজয়ী ৱাৰ্ড সদস্য বিজেপিলৈ

## ভৱানীপুৰত যোগদান সমাৰোহ

**ই-সংবাদ, ভৱানীপুৰ, ১৩ মে':** পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছদিনাই ৯ গৰাকী ৱাৰ্ড অৰ্থাৎ খণ্ড পৰ্যায়ৰ সদস্য আৰু সদস্যাই আজি বিজেপি দলত যোগদান কৰে। ইয়াৰ ভিতৰত ৬ নং ওদালগুৰি গাঁও পঞ্চায়তৰ ৭ গৰাকী আৰু ২নং ধেমচা শেষাংশ ৯ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## চেলেংহাটত পথ নিৰ্মাণত দুৰ্নীতিৰ

দায়িত্বত থকা ঠিকাদাৰ মণিৰাম চাহু আৰু চেলেং ৰংখাম ৬ নং লাইন পথৰ পৰা চেলেং বৰুৱা লাইন পঞ্চায়তৰ ধোদৰ আলি সংযোগি পথ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰ হিমাংশু গগৈয়ে অসম চৰকাৰৰ অভিলাষী আঁচনিৰ অধীনত বিতৰণ কৰা ধনৰ অপব্যৱহাৰ কৰি পথ দুটাৰ নিৰ্মাণত বৃহৎ অনিয়ম সংঘটিত কৰিছে। আটছাৰ চেলেংহাট উপশাখাৰ তৰফৰ পৰা জনোৱা মতে উপৰোক্ত পথ দুটাৰ নিৰ্মাণ কাৰ্য মান অনুসৰি হোৱা নাই আৰু নিৰ্মাণ কাৰ্যত নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰা হৈছে। এই ক্ষেত্ৰত চাহ জনজাতি ছাত্ৰ সংগঠনটোৰ চেলেংহাট উপশাখাৰ তৰফৰ পৰা টীয়ক ন-কছাৰী লোকনিৰ্মাণ বিভাগত এক স্মাৰক-পত্ৰ প্ৰদান কৰি নিৰ্মাণ কাৰ্যসমূহৰ ওপৰত উচিত তদন্ত কৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। অন্যথা স্থানীয় ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ প্ৰদান কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## গোলকগঞ্জত দুটা পঞ্চায়তৰ পুনৰ

চেষ্টা চলাইছে। সংবাদমেলত বিধায়কগৰাকীয়ে কয় যে ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিল আৰু বিলাসীপাৰা সমজিলাৰ ভোট গণনাত হেৰফেৰ হ'ব বুলি ১০ মে'ত অসম প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা ৰাজ্যিক নিৰ্বাচনী বিষয়াক অৱগত কৰা হৈছিল। কিন্তু তৎসত্ত্বেও একে ঘটনা গোলকগঞ্জত সংঘটিত হয়। তেওঁ কয়, পোকালাগী গাঁও পঞ্চায়তৰ এটা ৱাৰ্ডত কংগ্ৰেছ সমৰ্থিত প্ৰাৰ্থীৰ বৈধ ভোট অবৈধ কৰি এটা ভোটত পৰাজিত কৰে। সৰ্বনিম্ন এটা ভোটত পৰাজিত হোৱাত পুনৰ ভোট গণনাৰ বাবে আবেদন জনোৱা হয়। কিন্তু প্ৰশাসনে আবেদন অগ্ৰাহ্য কৰে। আশ্চৰ্যজনকভাৱে কালি পুৱাতে কাচখানা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত কংগ্ৰেছ প্ৰাৰ্থী সমীৰ প্ৰধানী ১৩ টা ভোটত জয়লাভ কৰে আৰু বিয়লি লক্ষীমাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত কংগ্ৰেছ প্ৰাৰ্থী মামণি ৰায় পাঁচটা ভোটত জয়লাভ কৰে। কংগ্ৰেছ প্ৰাৰ্থী এটা ভোটত পৰাজিত হোৱাৰ সময়ত পুনৰ ভোট গণনাৰ আবেদন অগ্ৰাহ্য কৰা নিৰ্বাচনী বিষয়াই পাঁচ আৰু ১৩ টা ভোটত পৰাজিত বিজেপি প্ৰাৰ্থীৰ আবেদনমৰ্মে পুনৰ ভোট গণনা কৰে। লক্ষীমাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ ভোট গণনা কৰি ৰহস্যজনকভাৱে পাঁচটা ভোটত বিজয়ী হোৱা কংগ্ৰেছ প্ৰাৰ্থী ২৯ টা ভোটৰ ব্যৱধানত পৰাজিত হয় বুলি ঘোষণা কৰে। কাৰ্যতঃ লক্ষীমাৰীত বিজেপিৰ ইতি ৰায়ে জয়লাভ কৰে। আনহাতে কাচখানাত পুনৰ ভোট গণনা কৰা সত্ত্বেও কোনো পৰিৱৰ্তন নোহোৱাত পূৰ্বে ঘোষিত মতে সমীৰ প্ৰধানী আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে নিৰ্বাচিত হয়। গোলকগঞ্জ সমষ্টিত তিনিখন জিলা পৰিষদত বিজেপিয়ে জয়লাভ কৰাৰ বিপৰীতে এখনত কংগ্ৰেছে জয়লাভ কৰে। আনহাতে ২১ খন আঞ্চলিক পঞ্চায়তৰ ১২ খনত বিজেপি, ২ খনত অগপ, ২ খনত নিৰ্দলীয় আৰু পাঁচখনত কংগ্ৰেছে জয়লাভ কৰে। উল্লেখ্য যে ছাগলীয়া গাঁও পঞ্চায়তৰ পাঁচ নম্বৰ ৱাৰ্ডৰ মনোহৰ সৰকাৰে (নুৰু) নিকটতম প্ৰাৰ্থী সহি আলম বেপাৰীক ৭১ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## নগাঁৱৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত

অহা বেচৰকাৰী শিক্ষানুষ্ঠানৰ দৌৰাত্ম্যই তাকেই প্ৰতিফলিত কৰিছে। ইয়াৰ মাজতে নগাঁও জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত যোৱা কেইবছৰ মানৰ পৰা কাঠফুলাৰ দৰে বেচৰকাৰী বিদ্যালয় গঢ়ি উঠা দেখিবলৈ পোৱা গৈছে। আনকি শিক্ষা বিভাগৰ নীতি-নিৰ্দেশনাক ভেঙুচালি কৰি চৰকাৰী বিদ্যালয়ৰ গাতে বছৰ বছৰ ধৰি চলি আছে এইবোৰ বিদ্যালয়। অভিযোগ মতে, এই বিদ্যালয়বোৰৰ বহুকেইখন বিদ্যালয়ত 'ছেবা কোড' আৰু 'আছাম হায়াৰ ছেকেণ্ডাৰী ইডুকেচন কাউঞ্চিল কোড'ৰ অনুমোদনৰ অবিহনে চলি আহিছে অংকুৰ-মুকুলৰ শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিকলৈ পাঠদান। ইয়াৰ অন্যতম উদাহৰণ হৈছে জিলাখনৰ পশ্চিম প্ৰান্তত অৱস্থিত বাটমাৰী জাতীয় বিদ্যালয় চিনিয়ৰ ছেকেণ্ডাৰী স্কুল। এই বিদ্যালয়খনত অঞ্চলৰ কেইবাশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। পিছে অভিযোগ মতে, কোনো বিভাগীয় অনুমতি অবিহনে শিক্ষাৰ্থীৰ নাম বক্ৰপথেৰে পঞ্জীয়ন কৰি বৃহৎ বজাৰ চলাই আহিছে এই বিদ্যালয়খনৰ কৰ্তৃপক্ষই। উল্লেখ্য, বিভাগীয় নিয়ম অনুসৰি 'দৰ্পণ' অবিহনে উচ্চতৰ মাধ্যমিকৰ নামভৰ্তি কৰিব নোৱাৰি যদিও তেওঁলোকে কিন্তু 'এক্টিভ দৰ্পণ কোড' নথকা সত্ত্বেও অফলাইন যোগে নামভৰ্তি কৰি চলাই আছে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পাঠ্যক্ৰমৰ পাঠদান। তদুপৰি নিয়ম মতে, 'ছেবা কোড' আৰু 'আছাম হায়াৰ ছেকেণ্ডাৰী ইডুকেচন কাউন্সিল কোড' ৰাজহুৱা কৰিব লাগে যদিও বিদ্যালয়ৰ অধ্যক্ষ আশ্ৰাফুলে হুছেইনে শিক্ষা বিভাগক কৌশলেৰে মেনেজ কৰি বছৰ বছৰ ধৰি নীতি-বহিৰ্ভূতভাৱে বিদ্যালয়ত পাঠদান কাৰ্য চলাই আহিছে। ইফালে, এনেবোৰ অভিযোগৰ ভিত্তিত সাংবাদিকৰ দল বিদ্যালয়ত উপস্থিত হোৱাৰ পিছতেই হাহাকাৰ লাগে বিদ্যালয়খনত। এই সন্দৰ্ভত বিদ্যালয়ৰ কৰ্তৃপক্ষই দায়সৰা মন্তব্য আগবঢ়াই বিষয়টোৰ পৰা ফালৰি কাটিবহে বিচাৰে। সেয়ে এইক্ষেত্ৰত শিক্ষা বিভাগ আৰু চৰকাৰে বিভাগীয় নীতি-নিয়ম উলংঘাৰে পাঠদান চলাই অহা এই বিদ্যালয়খনৰ বিৰুদ্ধে কেনে ব্যৱস্থা গ্ৰহণ কৰে পৰৱৰ্তী সময়ত সেয়া হ'ব লক্ষণীয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## শোকাকুল পৰিৱেশত সম্পন্ন মৃগাংকৰ

জাপাৰকুছিৰ গৃহলৈ লৈ অহাৰ পিছতে ঘৰখনত শোকাকুল পৰিৱেশে বিৰাজ কৰে। এই ঘটনাত শোকত ভাগি পৰিছে সমগ্ৰ গাঁওবাসী। গুৱাহাটীত মঙলবাৰে মৰণোত্তৰ পৰীক্ষা কৰোৱাৰ পিছতে গধূলিৰ ভাগত মৃগাংকৰ মৃতদেহ নলবাৰীৰ গৃহলৈ লৈ অহাৰ পিছত কান্দোনত ভাগি পৰিছে পৰিয়াল, আত্মীয় লোকসকল। মৃগাংকৰ নৃশংস হত্যাকাণ্ড ঘটনা সন্দৰ্ভত মুখ খুলিছে নিহত মৃগাংকৰ পৰিয়ালৰ লোকে। পৰিয়ালৰ লোকৰ মতে, কেৱল প্ৰেমৰ বাবেই মৃগাংকক হত্যা কৰা হোৱা নাই। ব্যৱসায়িক কাৰণত বহুতে মৃগাংকক টকা দিবলগীয়া আছিল। ধনৰ লেনদেন সন্দৰ্ভতো মৃগাংকক হত্যা কৰাৰ সন্দেহ ব্যক্ত কৰিছে নিহত মৃগাংকৰ পৰিয়ালৰ লোকে। এই হত্যাকাণ্ডৰ ঘটনাত আৰু কেইবাজনো লোক জড়িত থকাৰ অভিযোগ আনি আটাইকেইজনকে গ্ৰেপ্তাৰ কৰি ফাঁচি দিয়াৰ দাবী জনাইছে নিহত যুৱকজনৰ পৰিয়ালৰ লোকে। গুৱাহাটী মহানগৰীৰ গড়চুকত সোমবাৰে সংঘটিত ভয়াৱহ হত্যাকাণ্ডৰ ঘটনাটোৰ স'তে জড়িত ৰাজু আলী নামৰ অভিযুক্ত যুৱকজনক গড়চুক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ইতিমধ্যে আৰক্ষীৰ আগত চাঞ্চল্যকৰ স্বীকাৰোক্তি দিছে অভিযুক্ত যুৱকজনে। মাত্ৰ ২০ টকাৰে ক্ৰয় কৰি নিয়া এখন ছুৰীৰে লোকচক্ষুৰ সন্মুখতে মৃগাংকক হত্যা কৰি পলায়ন কৰিছিল ঘাতকৰূপী যুৱকজনে। আনহাতে এক শোকাকুল পৰিবেশত আজি নিশাই মৃগাংক বৰ্মনৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ডিব্ৰুগড়ত সদৌ অসম আহোম সভাৰ

পদ্মনাথ গোহাঞিবৰুৱা আজিও সম্পূৰ্ণ উপেক্ষিত"। ডিব্ৰুগড়ত সদৌ অসম আহোম সভাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত ক্ৰমে ডিব্ৰুগড় জিলা আহোম সভাৰ উদ্যোগত, ডিব্ৰুগড় সদৰ আঞ্চলিক আহোম সভা আৰু ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত অনুষ্ঠিত আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰদান কৰা পদ্মনাথ গোহাঞিবৰুৱা বঁটা গ্ৰহণ কৰি বিশিষ্ট টাই গৱেষক, লেখক সাহিত্যিক, ভাস্কৰ্য কলাবিদ ড° পুষ্প গগৈয়ে এনেদৰে মন্তব্য কৰে। বঁটা গ্ৰহণ কৰি ইতিমধ্যে অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ বিষয়ে বৃহৎ গৱেষণামূলক গ্ৰন্থ আৰু তথ্যচিত্ৰ ৰচনা কৰা বিশিষ্ট টাই গৱেষকগৰাকীয়ে লগতে কয় যে ৰাজ্য চৰকাৰৰ ফালৰ পৰা হওক বা জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই হওক; পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰতি যেনেদৰে গুৰুত্ব দিব লাগিছিল দিয়া নাই। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই যেনদৰে সাহিত্য সভা আৰু অসম চৰকাৰৰ পৰা যিমান গুৰুত্ব পালে, তেনেদৰে পদ্মনাথ গোহাঞিবৰুৱাই নাপালে। পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া জাতিৰ প্ৰতি, অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি যিখিনি দায়িত্ববোধ দেখুৱাই গ'ল সেয়া আছিল অতুলনীয়। যাৰ তুলনা বেলেগৰ সৈতে নাই। অসমীয়া ভাষা-সাহিত্যৰ কাৰণে লক্ষ্মীনাথ বেজবৰুৱাৰতকৈ কোনোগুণে কম নাছিল গোহাঞিবৰুৱা। তেওঁ জাতিৰ কথা নভবা হ'লে, অসমীয়া সমাজ সংস্কৃতিৰ বাবে কাম নকৰা হ'লে, ব্যক্তিগতভাৱে আৰু বহু সমৃদ্ধিশালী ৰচনা উলিয়াবলৈ সক্ষম হ'লহেঁতেন। অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি গোহাঞিবৰুৱাক অসম সাহিত্য সভায়ো গুৰুত্ব নিদিয়া বুলি উদ্বেগ প্ৰকাশ কৰে তেওঁ। তেওঁ ২৩ বছৰ বয়সতে কলিকতাৰ পৰা আহি আহোম সভাৰ দৰে অনুষ্ঠান জন্ম দি বৃহৎ জনগোষ্ঠীটোক আগুৱাই নিয়াৰ প্ৰচেষ্টা কৰি গ'ল। আহোমসকলৰ বেছিভাগ আজি ৰাজনৈতিক মেৰপেঁচত খণ্ড-বিখণ্ড হ'ল বুলি উদ্বেগ প্ৰকাশ কৰি আহোমসকলক বিভিন্ন সময়ত সকলো ফালৰ পৰাই উপেক্ষা কৰা বুলি কয়, যাৰ বাবে আহোমে নিজৰ ঐতিহ্যময় কৃষ্টি-সংস্কৃতিক হেৰুওৱাৰ উপক্ৰম হোৱা বুলি কয়। পদ্মনাথ গোহাঞিবৰুৱাই আহোম জনগোষ্ঠীৰ বাবে যি উদ্দেশ্যেৰে আহোম সভা গঠন কৰিছিল, বৃহত্তৰ আহোম জনগোষ্ঠীটোক সংগঠিত আৰু সংঘবদ্ধ কৰাৰ বাবে ১৩৩ বছৰীয়া আহোম সভাই পুনৰ সেই প্ৰচেষ্টাৰে আগুৱাই যোৱাৰ বাবে আহ্বান জনায়। সদৌ অসম আহোম সভাৰ সভাপতি শশাংক নেওগৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমায়ে। উদযাপন সমিতিৰ যুটীয়া সম্পাদক দিগন্ত ফুকনে আঁত ধৰা মুকলি সভাত বিশিষ্ট লেখক তথা টাই আহোম ভাষা-সাহিত্যৰ গৱেষক ড° পুষ্প গগৈক সদৌ অসম আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা বঁটা হিচাপে অংগ বস্ত্ৰ, স্মাৰক, প্ৰশস্তি-পত্ৰ, নগদ ধন আদি প্ৰদান কৰা হয়। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক উত্তম দুৱৰাই ছশ বছৰ ৰাজত্ব কৰা আহোমসকলে পৰৱৰ্তী সময়ত কেনেকৈ তেওঁলোকৰ নিজা ভাষা-সংস্কৃতিক হেৰুৱাব ধৰিলে এই সন্দৰ্ভত বিস্তৃত বক্তব্য প্ৰদান কৰে। সদৌ অসম আহোম সভাৰ সাধাৰণ সম্পাদক তপন কুমাৰ গগৈয়ে আদৰণী ভাষণ আগবঢ়োৱা মুকলি সভাত উদযাপন সমিতিৰ সভাপতি ৰঞ্জিত বৰুৱাই আদৰণী সমিতিৰ হৈ লিখিত ভাষণ পাঠ কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ "টি-ফাউ" উন্মোচন কৰে ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে। সভাত সন্মানীয় অতিথি হিচাপে মৰাণ সভাৰ সভাপতি ৰাজীৱ বৰা,মটক সন্মিলনীৰ সাধাৰণ সম্পাদক কিৰণ ৰাজখোৱা, চুতীয়া জাতি সন্মিলনীৰ সভাপতি বিবুল হাজৰিকা, টিংখং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অশোক গগৈ, বিশিষ্ট সমাজ সেৱক অমৃত বুঢ়াগোহাঁই, অতুল বৰগোহাঁই,দুৰ্লভ চেতিয়া, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই,আহোম সভাৰ বিত্তীয় সম্পাদক দুৰ্লভ গগৈ, সাংগঠনিক সম্পাদক ৰাজীৱ বৰগোহাঁই, প্ৰচাৰ সম্পাদক হীৰালাল ফুকন, আহোম সভাৰ সাধাৰণ সম্পাদক তপন কুমাৰ গগৈ, সদৌ অসম আহোম সভাৰ প্ৰাক্তন সভাপতি মহেন বুঢ়াগোহাঁই, প্ৰাক্তন সভাপতি হেমকান্ত দিহিঙীয়া, বিভূতি বৰগোহাঁই, কৃষ্ণকান্ত চেতিয়াকে প্ৰমুখ্যে কৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুকলি সভাৰ পাছতে গন্ধেশ্বৰ চমুৱা, ৰুবী গগৈ সন্দিকৈ আৰু ভুবন গগৈ পৰিচালনাৰে টাই ভাষৰ গীত-নৃত্য পৰিৱেশন কৰা লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে পুৱাৰ ভাগত প্ৰতিকূল বতৰৰ মাজতে ডিব্ৰুগড় জিলা আদালতৰ সন্মুখত থকা আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে সদৌ অসম আহোম সভাৰ সম্পাদক তপন গগৈয়ে।আনহাতে প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে পুৱাৰ ভাগত চাফাই অভিযান কাৰ্যসূচী ৰখাৰ লগতে মৈদাম তৰ্পণ কৰে কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ধীৰেন চেতিয়াই। ইয়াৰ পিছতে মুলুংসকলৰ দ্বাৰা ডামফি পুজা অনুষ্ঠিত হ'য়। আহোম সভাৰ পতাকা উত্তোলন কৰে সদৌ অসম আহোম সভাৰ সভাপতি শংশাংক নেওগ আৰু উদযাপন সমিতিৰ পতাকা উত্তোলন কৰে আদৰণী সমিতিৰ সভাপতি ৰঞ্জিত বৰুৱাই।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৱাৰ্ড সদস্য পদত দ্বিতীয়বাৰলৈ জয়ী

হৈছে। ইয়াৰ কাৰণ এটাই মেঘনাথ ভৰদ্বাজ হৈছে এগৰাকী এম বি এ ডিগ্ৰীধাৰী যুৱক। ১৯৮১ চনৰ ১৬ ডিচেম্বৰত জন্মগ্ৰহণ কৰা মেঘনাথ ভৰদ্বাজে ২০০৭ চনত নতুন দিল্লীৰ আই এম ডি, উখলাৰ পৰা এম বি এ ডিগ্ৰী অৰ্জন কৰিছিল। মেঘনাথ ভৰদ্বাজ হৈছে পঞ্চায়তটোৰ সদ্যবিজয়ী ৱাৰ্ড সদস্যসকলৰ ভিতৰত আটাইতকৈ শিক্ষিত ৱাৰ্ড সদস্য। টিপুক গাঁও পঞ্চায়তৰ অধীনৰ ৰূপাই লাচিত নগৰৰ প্ৰয়াত দীনেশ কুমাৰ শৰ্মা (টীম) আৰু কৃষ্ণা শৰ্মাৰ জ্যেষ্ঠ সন্তান মেঘনাথ ভৰদ্বাজে যোৱাবাৰৰ পঞ্চায়ত নিৰ্বাচনতো ৱাৰ্ডটোৰ পৰা জয়ী হৈছিল। জয়ৰ ব্যৱধান আছিল ৯৭ টা ভোট। মেঘনাথ ভৰদ্বাজে এইবাৰ ৱাৰ্ডটোৰ পৰা ১৭৬ টা ভোটৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। মেঘনাথ ভৰদ্বাজে বিগত কাৰ্যকালত ৱাৰ্ডটোত কৰা উন্নয়নমূলক কামৰ বাবেই ৱাৰ্ডটোৰ ভোটাৰ ৰাইজে দ্বিতীয়বাৰলৈ তেওঁক ৱাৰ্ড সদস্য হিচাপে জয়ী কৰালে বুলি তেওঁ দাবী কৰিছে। মেঘনাথ ভৰদ্বাজে এইবাৰ মুঠ ২৯৭ টা ভোট লাভ কৰাৰ বিপৰীতে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীগৰাকীয়ে লাভ কৰে ১২১ টা ভোট। মুঠ ৭৮৭ গৰাকী ভোটাৰ থকা ৱাৰ্ডটোত এইবাৰ ২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল। সৰ্বমুঠ ৪৬০ টা ভোটদান হোৱা ৱাৰ্ডটোত ৪২ টাকৈ ভোট নাকচ হয়। যোৱাবাৰ নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থী হিচাপে জয়ী হোৱা মেঘনাথ ভৰদ্বাজে এইবাৰ বিজেপি সমৰ্থিত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত নামিছিল যদিও প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীগৰাকীৰ সবল প্ৰতিদ্বন্দ্বিতাৰ বাবে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিওঁ ৱাৰ্ডটোৰ পৰা দ্বিতীয়বাৰলৈ জয়ী হ'বলৈ সক্ষম হোৱা মেঘনাথ ভৰদ্বাজ পঞ্চায়তখনৰ সভাপতি পদৰ অন্যতম দাবীদাৰ হিচাপে বিবেচিত হৈছে। এগৰাকী উচ্চশিক্ষিত তথা এমবিএ ডিগ্ৰীধাৰী যুৱক হিচাপে মেঘনাথ ভৰদ্বাজক পঞ্চায়তখনৰ সভাপতি পদত বহুৱাবলৈ বহুতে দাবী জনাইছে যদিও এয়া সম্পূৰ্ণ নিৰ্ভৰ কৰিছে কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ সিদ্ধান্তৰ ওপৰত।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## ‘নিৰ্বাচনৰ পূৰ্বে ভূপেন বৰাই সপোন

বেছি পাৰ্থক্য নাই। মুংগেৰীলালে যেনেকৈ সপোন দেখি আছিল, ঠিক তেনেকৈ ভূপেন বৰাও সপোন দেখি থাকে। ভূপেন বৰাই এইবাৰো পৰাজয়ৰ কিবা এটা কাৰণ দেখুৱাব বুলি কৈ মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ কেতিয়াবা ইভিএমৰ কথা কয়, কেতিয়াবা প্ৰশাসনৰ কথা কয়, কেতিয়াবা আৰক্ষীৰ কথা কয়। এইবাৰ কি কয় চাই আছো আমি। আনহাতে, যোৰহাটত কংগ্ৰেছৰ শোচনীয় পৰাজয়ক লৈও মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈকো নাম উল্লেখ নকৰাকৈ তীব্ৰ সমালোচনা কৰে। যিটো দলৰ নেতা ৰাষ্ট্ৰ বিৰোধী কামৰ লগত জড়িত থকা বুলি অসমৰ মানুহৰ যেতিয়া সন্দেহ হ’ব, সেই দলটোক মানুহে কেনেকৈ আদৰি ল’ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰশ্ন কৰে। মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলৰ নেতা পাকিস্তানলৈকে যোৱা, নেতাৰ পত্নীয়ে পাকিস্তানৰ পৰা দৰমহা লোৱা আনকি তেওঁলোকৰ সন্তানো ভাৰতীয় নাগৰিক নোহোৱা আদি অভিযোগসমূহৰ বিষয়ে উল্লেখ কৰে। এই অভিযোগসমূহৰ বিষয়ে যেতিয়া নেতাগৰাকীয়ে ৰাইজৰ আগত মুখ নোখোলে, ৰাইজেতো সন্দেহ কৰিবই বুলি মন্তব্য কৰি ইয়াৰ প্ৰত্যুত্তৰ ৰাইজে দিব বুলি কয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## ৯ গৰাকী বিজয়ী ৱাৰ্ড সদস্য বিজেপিলৈ

গাঁও পঞ্চায়তৰ দুগৰাকী সদস্য আছে। ওদালগুৰি গাঁও পঞ্চায়তৰ সদস্য কেইগৰাকী হ'ল গীতুমণি দাস, লংকেশ্বৰ ৰয়, বৰ্ণালী তালুকদাৰ, জুনুমণি মেধি, সংগীতা পাটগিৰি, কণমণি তহবিলদাৰ, অঞ্জনা ৰয় আৰু ধেমছা গাঁও পঞ্চায়তৰ দুই সদস্য পুষ্পাঞ্জলি দাস আৰু নয়ন কলিতা। বিধায়ক ফণীধৰ তালুকদাৰৰ তৎপৰতাত বিধায়কগৰাকীৰ হাঠিনাপুৰ গাঁৱৰ সমীপৰ চকীৰভিঠাৰ বাসগৃহত অনুষ্ঠিত এই যোগদান সমাৰোহত বিধায়কগৰাকীয়ে ৱাৰ্ড সদস্যৰ প্ৰতিগৰাকীকে বিজেপি দলৰ প্ৰতীক সম্বলিত টুপী আৰু অংগবস্ত্ৰ পৰিধান কৰোৱাই দলটোলৈ আদৰণি জনায়। আনহাতে, যোগদানৰ পিছতে সাংবাদিকৰে বাৰ্তালাপত বিধায়ক গৰাকীয়ে বিজেপি দলত যোগদান কৰা আটাইকেইগৰাকী সদস্য-সদস্যাকে অঞ্চলটোৰ উন্নয়নৰ দিশত সমৰ্পিত মনোভাৱেৰে কাম কৰি যাবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত বিধায়ক গৰাকীয়ে তেওঁলোকক সততে সহায়-সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে। আনহাতে, বিজেপিত যোগদান কৰা কেইবাগৰাকীও সদস্যই বিজেপি দলত যোগদান কৰিবলৈ পাই সুখী হোৱাৰ লগতে অঞ্চলটোৰ উন্নয়নৰ দিশত কাম কৰাত বিধায়কগৰাকীৰ সহায়-সহযোগ কামনা কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## বঢ়মপুৰৰ গাৰোখুন্দাত জিকিও হাৰিল

স্বপ্না দেৱীয়ে ২৯১ টা ভোট লাভ কৰাৰ বিপৰীতে মামনি হাজৰিকাই ১৯১ টা ভোট লাভ কৰে আৰু স্বপ্না দেৱী ১০০ ভোটৰ ব্যৱধানত জয়ী হয়। স্বপ্না দেৱীয়ে জয় লাভ কৰাৰ পাছত উক্ত ভোট গণনাৰ নিশা বিজয় হোৱাৰ প্ৰমাণ পত্ৰ বিচাৰিছিল যদিও পৰৱৰ্তী সময়ত উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ জৰিয়তে দিয়া হ’ব বুলি সংশ্লিষ্ট বিষয়াই তেওঁক অৱগত কৰে। কিন্তু কালি বিভাগীয় লোকে বিজয়ী স্বপ্না দেৱীৰ বিপৰীতে পৰাজিত মামনি হাজৰিকাক বিজয়ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰাত প্ৰাৰ্থী স্বপ্না দেৱীৰ লগতে তেওঁৰ সমৰ্থকসকল ক্ষুণ্ণ হৈ পৰিছে। জয় লাভ কৰিও যেন পৰাজিত হ’ব লগা হ'ল স্বপ্না দেৱী। তেওঁ জয়ৰ ৰং ৰহইচত মগন হোৱাৰ পৰিৱৰ্তে এতিয়া শোকত ভাঙি পৰা পৰিলক্ষিত হৈছে। ভোট গণনাৰ নিশা উপস্থিত থকা প্ৰাৰ্থী, কাউন্টিং এজেণ্টৰ সন্মুখত স্বপ্না দেৱীয়ে ১০০ ভোটাৰ ব্যৱধানত জয় লাভ কৰাৰ পাছতো কাৰ গাফিলতিৰ বাবে পৰাজিত প্ৰাৰ্থীগৰাকীয়ে জয়ৰ প্ৰমাণ পত্ৰ লাভ কৰিলে বুলি ক্ষুব্ধ ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। স্বপ্না দেৱী আৰু তেওঁৰ সমৰ্থকসকলে আজি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ আয়ুক্তগৰাকীক সমগ্ৰ বিষয়টো অৱগত কৰি ৱাৰ্ডটোৰ বাবে পুনৰ ভোট গণনা অনুষ্ঠিত কৰিবলৈ দাবী জনাইছে।

# মথাউৰি নিৰ্মাণত আসোঁৱাহ! জলসম্পদ বিভাগৰ অভিযন্তাক নিলম্বনৰ নিৰ্দেশ মন্ত্ৰী পীযুষৰ

## ছিপাঝাৰত দিমিলা নদীৰ মথাউৰিৰ নিৰ্মাণ কাম পৰিদৰ্শন

**ই-সংবাদ, ১৩ মে’**: ‘ইয়াক আজিয়েই নিলম্বন কৰক। ঠিকাদাৰৰ লগত মিতিৰালি কৰে।’- ছিপাঝাৰত দিমিলা নদীৰ মথাউৰিৰ কামত গাফিলতি কৰা অভিযন্তাক এনেদৰে নিলম্বনৰ নিৰ্দেশ দিলে মন্ত্ৰী পীযুষ হাজৰীকাই। মথাউৰিৰ কাম দেখি অসন্তুষ্ট হৈ পৰা মন্ত্ৰীগৰাকীয়ে অন কেমেৰা জলসম্পদ বিভাগৰ অভিযন্তাক ৰাইজৰ সন্মুখতে জবাবদিহি কৰি নিলম্বনৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে বান-খহনীয়া সমস্যা সমাধানৰ বাবে দৰং জিলাৰ সাৰেঙৰ পৰা দুইখুঁটিমুখলৈ ডিমিলা নৈৰ দুয়োপাৰে নতুনকৈ নিৰ্মাণৰত সৰ্বমুঠ ১৯.৬৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটোৰ কাম পৰিদৰ্শন কৰিবলৈ আজি ছিপাঝাৰত মন্ত্ৰী পীযুষ হাজৰীকা উপস্থিত হয়। পৰিদৰ্শনকালতে স্থানীয় ৰাইজে মথাউৰি নিৰ্মাণত কিছু আসোঁৱাহ থকাৰ বিষয়ে মন্ত্ৰীগৰাকীক অভিযোগ দিয়ে। ৰাইজৰ অভিযোগৰ ভিত্তিত মথাউৰি নিৰ্মাণৰ আঁসোৱাহ মন্ত্ৰীগৰাকীৰো দৃষ্টিগোচৰ হয় আৰু প্ৰাথমিক পৰ্যায়ত আঁসোৱাহ থকা বুলি পতিয়ন যায়। ইয়াৰ বাবে জলসম্পদ মন্ত্ৰীগৰাকীয়ে দৰং জিলাৰ কাৰ্যবাহী অভিযন্তাক অতিশীঘ্ৰে নিলম্বন কৰিবলৈ মুখ্য অভিযন্তাক নিৰ্দেশ দিয়ে। উল্লেখ্য যে ৩-৪ ফুট মাটি দিয়াৰ পিছত ৰোলাৰ মাৰিব লাগে বুলি মুখ্য অভিযন্তাই মন্ত্ৰীগৰাকীক জনায়। কিন্তু ইয়াত কোনো ৰোলাৰ অহা নাই বুলি ৰাইজে মন্ত্ৰীগৰাকীক জানিবলৈ দিয়ে। অভিযন্তাগৰাকীৰ এনে কাৰ্যত মন্ত্ৰীগৰাকী খৰ্গহস্ত হৈ পৰে। তেওঁ কয় যে ২০ কিলোমিটাৰ মথাউৰি, ইয়াত এদিনো ৰোলাৰ মৰা নাই। এয়া কেনেকৈ হ’ব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰশ্ন কৰি কয় যে মই কাৰো মুখলৈ নাচাওঁ। মই কাকো চিনি নাপাওঁ, মই ৰাইজক চিনি পাওঁ। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰত মই ৰাইজক চিনি পাওঁ। ইয়াৰ পিছত মন্ত্ৰী হাজৰীকাই ৰাইজৰ অভিযোগ লৈ মন্ত্ৰীৰ নিৰ্দেশ মৰ্মে মুখ্য অভিযন্তাক দৰং জিলাৰ কাৰ্যবাহী অভিযন্তা গৰাকীক নিলম্বন কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি, স্থানীয় ৰাইজৰ সৈতে মথাউৰি নিৰ্মাণৰ আসোঁৱাহ সন্দৰ্ভত আলোচনা কৰি ঠিকাদাৰৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা ল'বলৈও জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাক নিৰ্দেশনা প্ৰদান কৰে। ৰাইজৰ সন্মুখতে মন্ত্ৰীগৰাকীয়ে ঠিকাদাৰজনকো জবাবদিহি কৰি সকীয়াই দিয়ে। তেওঁ কয়, 'ডণ্ট মিছলীড মি, এজনক বৰ্খাস্ত কৰিছোঁ, তোমাকো জে'লত ভৰাই থম। মোৰ লগত কোনো আপোচ নহ'ব'। প্ৰাককলন মতে ঠিকাদাৰজনে কাম নকৰাত মন্ত্ৰীগৰাকী ক্ষুব্ধ হৈ পৰে। ৰাইজে বাৰে বাৰে এই সন্দৰ্ভত অভিযোগ দিয়াৰ পিছতো অভিযন্তা আৰু ঠিকাদাৰজনে গুৰুত্ব প্ৰদান কৰা নাছিল বুলি ৰাইজে মন্ত্ৰীগৰাকীক জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে তৎপৰতাৰে অভিযন্তা আৰু ঠিকাদাৰজনৰ বিৰুদ্ধে গ্ৰহণ কৰা এনে পদক্ষেপত ৰাইজে সন্তোষ প্ৰকাশ কৰি ধন্যবাদ জ্ঞাপন কৰে।

# ২০২৪ চনত প্ৰাকৃতিক দুৰ্যোগত দেশত স্থানচ্যুত হৈছিল ৫৪ লাখ লোক

## অসমত প্ৰভাৱিত হৈছিল প্ৰায় ৩ লাখ লোক

**নতুন দিল্লী, ১৩ মে':** বানপানী, ধুমুহা আৰু অন্যান্য দুৰ্যোগৰ বাবে ২০২৪ চনত ভাৰতত ৫৪ লাখ লোকৰ স্থানচ্যুতি ঘটিছিল। জেনেভাস্থিত আভ্যন্তৰীণ স্থানচ্যুতি নিৰীক্ষণ কেন্দ্ৰৰ প্ৰতিবেদনত এই কথা প্ৰকাশ পাইছে। প্ৰতিবেদন অনুসৰি বিগত ১২ বছৰৰ ভিতৰত ২০২৪ত ভাৰতত সৰ্বাধিক সংখ্যক লোক স্থানচ্যুত হৈছে। ২০২৪ত দেশত হিংসাৰ সৈতে জড়িত ১৭০০ টা স্থানচ্যুতিৰ ঘটনা ঘটে যিটো ২০২৩ চন মণিপুৰত সাম্প্ৰদায়িক হিংসা বৃদ্ধি হওঁতে স্থানচ্যুত হোৱা লোকৰ সংখ্যাৰ তুলনাত কিছু কম। আইডিএমচিয়ে কয় যে ভাৰতত আভ্যন্তৰীণ স্থানচ্যুতিৰ দুই তৃতীয়াংশ বানপানীৰ ফলত সংঘটিত হৈছে। জলবায়ু পৰিৱৰ্তন, বনাঞ্চল ধ্বংস, খহনীয়া আৰু মথাউৰিৰ ৰক্ষণাবেক্ষণৰ অভাৱ স্থানচ্যুতিৰ কিছুমান মূল কাৰক। প্ৰতিবেদন অনুসৰি ২০২৪ চনত অসমত ২৫ লাখ আভ্যন্তৰীণ স্থানচ্যুতি ঘটিছিল। কাৰণ সেই বৰ্ষত ৰাজ্যখনত এক দশকৰো অধিক কালৰ ভিতৰত আটাইতকৈ বেছি বানপানী হৈছিল। বৃহৎ ঘূৰ্ণীবতাহকে ধৰি ধুমুহাই দেশত ১৬ লাখ লোকৰ স্থানচ্যুতিৰ সূচনা কৰে।অক্টোবৰৰ শেষৰ ফালে বংগ উপসাগৰত সৃষ্টি হোৱা ডানা ঘূৰ্ণীবতাহৰ ফলত ওড়িশা আৰু পশ্চিম বংগত এক নিযুততকৈ অধিক লোকৰ স্থানচ্যুতি ঘটিছিল। ২০২৪ চনৰ ২৪ মে'ত বংগোপসাগৰত হোৱা ঘূৰ্ণীবতাহৰ ফলত পশ্চিম বংগত ২,০৮,০০০ লোকৰ স্থানচ্যুতি ঘটিছিল। আনহাতে ঘূৰ্ণী উত্তৰ দিশলৈ গতি কৰাৰ লগে লগে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ ওফন্দি উঠাৰ ফলত অসমত প্ৰায় ৩,৩৮,০০০ লোকৰ স্থানচ্যুতি ঘটিছিল। ২০২৪ চনত ত্ৰিপুৰাত ৪০ বছৰতকৈও অধিক সময়ৰ ভিতৰত আটাইতকৈ ভয়াৱহ বাৰিষা হৈছিল।আগষ্টৰ মাজভাগত প্ৰবল বৰষুণৰ ফলত ২০০০ৰো অধিক স্থানত ভূমিস্খলন হৈছিল, যাৰ ফলত মুঠ ৩,১৫,০০০ লোকৰ স্থানচ্যুতি ঘটিছিল। ৰাস্তা বন্ধ থকাত সাহায্যতো ব্যাঘাত জন্মিছিল।



বায়ুসেনা ষ্টেচন আদমপুৰত জোৱান আৰু বিমান যোদ্ধাৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, ফটো মঙলবাৰৰ

# ম্যানমাৰত সেনাৰ এয়াৰষ্ট্ৰাইকত ২০ জন শিক্ষাৰ্থী নিহত

**য়েংগুন, ১৩ মে':** ম্যানমাৰত সেনাই এখন বিদ্যালয়ত চলোৱা এয়াৰষ্ট্ৰাইক য'ত ২০ জন শিক্ষাৰ্থী আৰু ২ জন শিক্ষকে প্ৰাণ হেৰুৱায়। আক্ৰমণটো সোমবাৰে ৰাতিপুৱা বিদ্যালয়ত পাঠদান চলি থকাৰ সময়তে সংঘটিত হৈছিল। আক্ৰমণত প্ৰায় ৫০ জন লোক আহত হোৱা বুলি জানিব পৰা গৈছে। বিদ্যালয়খন গণতন্ত্ৰ পন্থী আন্দোলনৰ সৈতে জড়িত আছিল। অৱশ্যে, সেনাই এই আক্ৰমণ সম্পৰ্কীয় কোনো তথ্য প্ৰকাশ কৰা নাই। আক্ৰমণটো চিগাইং এলেকাৰ এখন গাঁৱত সংঘটিত হৈছিল, যি ম্যানমাৰৰ দ্বিতীয় বৃহত্তম চহৰ মান্ডলেৰ পৰা প্ৰায় ১১৫ কিমি দূৰত অৱস্থিত। বিদ্যালয়খনৰ নিকটৱৰ্তী তিনিটা ঘৰো এই আক্ৰমণত ধ্বংস হয়। উল্লেখ্য, ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত গণতান্ত্ৰিকভাৱে নিৰ্বাচিত আন চাং চ্যু কিৰ চৰকাৰক উৎখাত কৰি সামৰিক অভ্যুত্থানৰ পিছৰে পৰা সমগ্ৰ ম্যানমাৰত সশস্ত্ৰ বিদ্ৰোহৰ দমন কৰিবলৈ সামৰিক বাহিনীয়ে আকাশ মাৰ্গৰে আক্ৰমণ অব্যাহত ৰাখিছে। মানৱ অধিকাৰ সংগঠনসমূহে অনুমান কৰা অনুসৰি এই পৰ্যন্ত দেশখনত ৬৬০০ ৰো অধিক সাধাৰণ নাগৰিক সেনা বাহিনীৰ হাতত নিহত হৈছে।

# অমৃতসৰত বিষাক্ত সুৰা সেৱনৰ পৰিণতিত ২১ জন লোকৰ মৃত্যু

**অমৃতসৰ, ১৩ মে':** পঞ্জাৱৰ অমৃতসৰ জিলাত বিষাক্ত সুৰা সেৱন কৰি কমেও ২১ জন লোকৰ মৃত্যু হৈছে। অমৃতসৰৰ মাজিঠা মহকুমাৰ ভাঙালী, পাতালপুৰী, মৰাৰী কলন আৰু থেৰৱাল গাঁৱত কেইবাজনো লোকে বিষাক্ত সুৰা সেৱন কৰাৰ ফলত মৃত্যুমুখত পৰা বুলি জানিব পৰা গৈছে। ইয়াৰ পূৰ্বে মঙলবাৰেও কেইবাজনো লোকক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি ৯জন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে জিলাখনৰ আবকাৰী আৰু কৰ বিষয়া, উপ-আৰক্ষী অধীক্ষককে ধৰি এই গোচৰৰ সৈতে জড়িত চাৰিজন বিষয়াক নিলম্বন কৰিছে। আৰক্ষীয়ে লগতে প্ৰকাশ কৰে যে ছচ নামেৰে পৰিচিত এই দেশীয় সুৰা প্ৰস্তুত কৰাৰ উদ্দেশ্যে অনলাইনত মিথানল ক্ৰয় কৰা হৈছিল। পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে ছ'চিয়েল মিডিয়াৰ এক পোষ্টত কয়, 'মাজিঠাৰ আশে-পাশে থকা গাঁওবোৰত বিষাক্ত সুৰা সেৱনৰ ফলত বহু লোকৰ মৃত্যুৰ দুখজনক খবৰ পোৱা গৈছে।নিৰীহ লোকৰ এই হত্যাকাৰীক কোনো মূল্যৰ বিনিময়ত ৰেহাই দিয়া নহ'ব আৰু আইন অনুসৰি কঠোৰ শাস্তি দিয়া হ'ব।"

# চিবিএছইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল ঘোষণা

**নতুন দিল্লী, ১৩ মে':** মঙলবাৰে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডে দশম আৰু দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। এই পৰীক্ষাত ৯৩.৬০% ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ যোৱা বছৰৰ তুলনাত সামান্য বেছি। ছাত্ৰৰ তুলনাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ২.৩৭ শতাংশ অধিক। ছাত্ৰীৰ মুঠ উত্তীৰ্ণৰ হাৰ ৯৫%। ১.৪১ লাখৰো অধিক প্ৰাৰ্থীক কম্পাৰ্টমেন্টৰ অধীনত ৰখা হৈছে। ইফালে দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণৰ শতাংশ ৮৮.৩৯%। দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰা হৈছে যদিও কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডে ঘোষণা কৰা নাই দশম শ্ৰেণীৰ শীৰ্ষ স্থানীয় ছাত্ৰ-ছাত্ৰীৰ তালিকা। শিক্ষাৰ্থীৰ মাজত অস্বাস্থ্যকৰ প্ৰতিযোগিতা এৰাই চলিবলৈকে এই সিদ্ধান্ত লোৱা বুলি ঘোষণা কৰে ব'ৰ্ডে।

# আজিৰেপৰা দেশজুৰি চলিব বিজেপিৰ ত্ৰিৰংগা যাত্ৰা

**নতুন দিল্লী, ১৩ মে':** ভাৰতীয় জনতা পাৰ্টিয়ে এক বৃহৎ জনসাধাৰণৰ প্ৰচাৰত মঙলবাৰে দেশজোৰা ত্ৰিৰংগা যাত্ৰাৰ শুভাৰম্ভ কৰে। ভাৰতীয় জোৱানসকলৰ বীৰত্বক সন্মান জনোৱাৰ লগতে অপাৰেচন সেন্দুৰৰ শেহতীয়া সফলতাৰ বিষয়ে নাগৰিকসকলক অৱগত কৰাৰ উদ্দেশ্যে এই যাত্ৰাৰ আয়োজন কৰা হৈছে। আজিৰ পৰা আৰম্ভ হোৱা বিজেপিৰ ত্ৰিৰংগা যাত্ৰা ২৩ মে'লৈ চলিব। এই যাত্ৰাত যোগদান কৰে দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি জ্যেষ্ঠ নেতা-কৰ্মীসকলে।

# যুদ্ধবিৰতিৰ সিদ্ধান্তক সমৰ্থন প্ৰাক্তন সেনাৰ

**পুনে, ১২ মে':** ভাৰত আৰু পাকিস্তানৰ মাজত শেহতীয়া যুদ্ধবিৰতিক সমৰ্থন কৰি ভাৰতীয় সেনাবাহিনীৰ প্ৰাক্তন মুৰব্বী জেনেৰেল মনোজ নাৰৱণে কয় যে যুদ্ধ কোনো ৰোমান্টিক বস্তু নহয় আৰু ই বলীউডৰ চিনেমাও নহয়। দেওবাৰে পুনেত দ্য ইনষ্টিটিউট অব কষ্ট একাউন্টেন্টছ অব ইণ্ডিয়াৰ হীৰা জয়ন্তী অনুষ্ঠানত ভাষণ দি নৰৱণে কয়, "যেতিয়া প্ৰকৃততে যুদ্ধ আৰম্ভ হয়, তেতিয়া মৃত্যু আৰু ধ্বংসলীলা হয়। ইয়াৰ নিজস্ব খৰচ থাকে, পুনৰ নিৰ্মাণৰ খৰচ থাকে আৰু হেৰুওৱা সঁজুলিৰ খৰচো থাকে"। তেওঁ লগতে কয় যে যুদ্ধ এক ব্যয়বহুল বিষয়, "যদি আমাৰ মাজত সপ্তাহ আৰু মাহজুৰি বিস্তৃত দীঘলীয়া সংঘাত হয়, তেন্তে কল্পনা কৰকচোন তাৎক্ষণিকভাৱে প্ৰতিটো লোকচানৰ অৰ্থ কি হ'ব। আৰু এই প্ৰতিটো লোকচানৰ অৰ্থ ক্ৰমবৰ্ধমানভাৱে কি হ'ব? লোকচান অতি বৃহৎ বা অতিক্ৰম কৰিব নোৱাৰা হ'বলৈ আৰম্ভ কৰাৰ আগতেই ইয়াক ৰোধ কৰাটো জ্ঞানী লোকৰ কাম", তেওঁ কয়।

# হাবি-জংঘলে আৱৰি ধৰিছে পঞ্চায়তৰ কাৰ্যালয়-চৌপাশ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৩ মে':** ৰাজ্যত দুটা পৰ্যায়ত অনুষ্ঠিত হৈ যোৱা পঞ্চায়ত নিৰ্বাচনত ১১ মে'ত ঘোষিত ফলাফল অনুসৰি ২১,৯২০ খন গাঁও পঞ্চায়ত, ২,১৯২ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭ খন জিলা পৰিষদৰ নিৰ্বাচনৰ ফলাফল ঘোষণা হ'ল। বিগত বৰ্ষৰ মাৰ্চ মাহতে চৰকাৰে পঞ্চায়তসমূহ ভংগ কৰি দিছিল। প্ৰায় এবছৰৰো অধিক দিন পঞ্চায়তৰ কাৰ্যালয়সমূহ বন্ধ হৈ থকাত হাবি-জংঘলে আৱৰি ধৰিছে। পঞ্চায়তত কৰ্মৰত অসম চৰকাৰৰ দ্বাৰা নিযুক্তিপ্ৰাপ্ত সচিবৰ লগতে অন্যান্য বিষয়া-কৰ্মচাৰীসকলে প্ৰায় এবছৰৰো অধিক কাল কাৰ্যালয়ত পদাৰ্পণ নকৰাৰ বাবেই পঞ্চায়তৰ কাৰ্যালয়সমূহ হাবি-জংঘলে আৱৰি ধৰা বুলি স্থানীয় লোকসকলে মন্তব্য কৰিছে। তদুপৰি, বহুকেইখন পঞ্চায়তৰ কাৰ্যালয়ৰ অন্তৰ্ভাগত নিগনি, ডালশলীয়া আদিৰ আশ্ৰয়স্থলৰ লগতে উঁই হাঁফলু হোৱা বুলিও স্থানীয় লোকসকলে উল্লেখ কৰিছে। পঞ্চায়তৰ নৱনিৰ্বাচিত প্ৰতিনিধিসকলে দায়িত্ব লোৱাৰ পূৰ্বেই পঞ্চায়তৰ কাৰ্যালয়, প্ৰেক্ষাগৃহ, চৌপাশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি লোৱাৰ প্ৰয়োজন বুলিও লোকসকলে উল্লেখ কৰিছে।

# নিবনুৱা যুৱকলৈ 'ছলিডাৰীডেড এছিয়া'ৰ চাহ বিপণন বাহন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ মে':** আন্তৰ্জাতিক সামাজিক স্বেচ্ছাসেৱী সংগঠন "ছলিডাৰীডেড এছিয়া" ই অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সহযোগত অসমৰ কেইবাখনো জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ উন্নয়নৰ বাবে বিগত কেইবাবছৰৰ পৰা বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। অসমৰ আন চাৰিখন জিলাৰ লগতে তিনিচুকীয়া জিলাৰ অন্তৰ্গত ক্ষুদ্ৰ চাহ খেতিয়কসকলক চাহ খেতিত সহায় হোৱাকৈ বিভিন্ন দিশত সহায় কৰাৰ সময়তে আন্তৰ্জাতিক সামাজিক স্বেচ্ছাসেৱী সংগঠন ছলিডাৰিডেড এছিয়াই সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সহযোগিতাত তিনিচুকীয়া জিলাৰ লগতে আন বহুকেইখন জিলাৰ বহু নিবনুৱা যুৱকৰ আৰ্থিক ক্ষেত্ৰত সহায়ক হোৱাকৈ একোখনকৈ চাহ বিপণন বাহন আগবঢ়ায়। এই উপলক্ষে আজি অনুষ্ঠিত এক কাৰ্যসূচীত তিনিচুকীয়া জিলাৰ মাকুম বাইপাছ চাৰিআলিত তিনিখনকৈ এনে চাহ বিক্ৰীৰ বিপণন বাহনৰ শুভ উদ্বোধন কৰা হয়। তিনিচুকীয়া জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ৰাণা মৰাণে সভাপতিত্বত কৰা উক্ত অনুষ্ঠানৰ মুকলি সভাত ছলিডাৰীডেড এছিয়াৰ উদ্ধৱ চন্দ্ৰ শৰ্মা, মোক্ষদেৰ দাস, ভাৰতীয় চাহ ব'ৰ্ডৰ নৱজ্যোতি বড়ো, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ হাইদৰ আলী, মহম্মদ আমিন আদিয়ে বক্তব্য আগবঢ়ায়। বাৰেকুৰি আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি গিৰীশ চেতিয়া, কৃষ্ণচূড়া হৰতি ফিড কৃষক উৎপাদক কোম্পানীৰ যদুনাথ চেতিয়া, মণ্টু চেতিয়া, নিকুঞ্জ মহন্ত, ছলিডাৰীডেড এছিয়াৰ প্ৰণয় দত্ত, কৃষাণু ফুকন আদিয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানত তখন চাহ বিপণন বাহন মুকলি কৰে ক্ৰমে উদ্ধৱ চন্দ্ৰ শৰ্মা, নৱজ্যোতি বড়ো আৰু ৰাণা মৰাণে।

# কাছমাৰী জিলা পৰিষদত শেষ হাঁহি প্ৰাঞ্জল দাসৰ

**ই-সংবাদ, বেবেজীয়া, ১৩ মে':** নগাঁও-বটদ্ৰৱা সমষ্টিত নতুনকৈ সংযোজন হোৱা ৰাইডঙীয়া-বটদ্ৰৱা, আইভেটি আৰু মাজ জাজৰি-দৰঙীয়াল এই তিনিটা পঞ্চায়তৰ লগতে পূৰ্বৰ নগাঁও সদৰ সমষ্টিত থকা কাছমাৰী আৰু শেনচোৱা গাঁও পঞ্চায়তক সামৰি গঠিত হোৱা কাছমাৰী জিলা পৰিষদৰ আসনখনত এইবাৰ বিজেপিৰ প্ৰাৰ্থী প্ৰাঞ্জল দাস জয়ী হ'বলৈ সক্ষম হয়। ফলাফলত বিৰোধী দল কংগ্ৰেছৰ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি ৰাজাই তৃতীয় স্থানহে লাভ কৰাৰ বিপৰীতে সকলোকে স্তম্ভিত কৰি নিৰ্দলীয় প্ৰাৰ্থী দীপাংকৰ ৰাজাই দ্বিতীয় স্থান পায়। জানিব পৰা মতে, বিজেপি প্ৰাৰ্থী প্ৰাঞ্জল দাসে ১৪,৯৬৯ টা ভোট লাভ কৰাৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী দীপাংকৰ ৰাজাই ৫,০৮৭ টা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি ৰাজাই ৪,০৯৬ টা ভোটহে লাভ কৰে। ইফালে, কাছমাৰী জিলা পৰিষদখনৰ অন্তৰ্গত আটাইকেইটা পঞ্চায়তৰ আঞ্চলিক সদস্যৰ পদত বিজেপিৰ প্ৰাৰ্থীয়ে বিৰোধী দলৰ প্ৰাৰ্থীক ধৰাশাৰী কৰি বিজয় সাৰ্বস্ত কৰিবলৈ সক্ষম হয়। ইয়াৰে কাছমাৰীত আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে দীপাঞ্জলি কোঁৱৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে শেনচোৱা আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে জ্যোতিপ্ৰসাদ দাস, মাজ জাজৰি-দৰঙীয়াল আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে পূৰবী মহন্ত বৰা, আইভেটি আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে ৰাণা বৰা আৰু ৰাইডঙীয়া-বটদ্ৰৱা আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে স্মৃতা বৰা নিৰ্বাচিত হৈছে। বিজয়ী প্ৰাৰ্থীসকলক বিধায়ক ৰূপক শৰ্মা, বটদ্ৰৱা মণ্ডল বিজেপিৰ সভাপতি ৰাজেশ কোঁৱৰ আৰু নিৰ্বাচনী সমিতিৰ সভাপতি প্ৰবীণ কলিতাই শুভেচ্ছা জনাইছে। উল্লেখ্য যে এইবাৰৰ নিৰ্বাচনত এই জিলা পৰিষদ এলেকাৰ প্ৰতিটো পঞ্চায়তে বিজেপিৰ প্ৰাৰ্থীক জনতাই আঁকোৱালি লোৱাৰ বিপৰীতে কংগ্ৰেছক যেন ৰাইজৰ আমুৱালে তেনেকুৱাহে পৰিলক্ষিত হ'ল। কিয়নো, প্ৰতিটো পঞ্চায়তে কংগ্ৰেছৰ প্ৰাৰ্থীয়ে মুখ থেকেচা খোৱাৰ বিপৰীতে বিজেপি প্ৰাৰ্থীয়ে বৃহৎ ব্যৱধানত বিজয়ধ্বজা উৰুৱায়। আনহাতে, লক্ষণীয় দিশটো হ'ল প্ৰাৰ্থিত্বক লৈ হোৱা মতানৈক্যৰ বাবে জিলা পৰিষদৰ সদস্যৰ পদত বিজেপি প্ৰাৰ্থীজনক প্ৰত্যাহ্বান জনাই একাংশ বিজেপি দলৰেই স্থানীয় কৰ্মীয়ে গোপনে আলোচনাত মিলিত হৈ একালৰ বিজেপি কৰ্মী দীপাংকৰ ৰাজাক নিৰ্দলীয় হিচাপে প্ৰক্ষেপ কৰিছিল যদিও মুৰকত সেই ষড়যন্ত্ৰ ওফৰাই শেষ হাঁহি মাৰিবলৈ সক্ষম হয় বিজেপি প্ৰাৰ্থী প্ৰাঞ্জল দাসে। তথাপি কাছমাৰী জিলা পৰিষদত পঞ্চায়তে পঞ্চায়তে বিজেপি প্ৰাৰ্থীয়ে একক আধিপত্য বিস্তাৰ কৰিলেও জিলা পৰিষদখনৰ সদস্য পদৰ ফলাফলত ৯ হাজাৰৰো অধিক ভোট বিজেপিৰ বিৰুদ্ধে যোৱা বিষয়টোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

# ফৰিদা ইয়াছমিন মিঞাৰ জিলা পৰিষদ সদস্যা পদত জয়লাভ

**ই-সংবাদ, বিলাসীপাৰা, ১৩ মে':** ধুবুৰী জিলাৰ বীৰসিং জৰুৱা সমষ্টিৰ অন্তৰ্গত ৮ নং নায়েৰ আলগা টিলাপাৰা জিলা পৰিষদ সদস্যা পদত ৰাইজৰ মনোনীত প্ৰাৰ্থী ফৰিদা ইয়াছমিন মিঞাই বৃহৎ ভোটত জয়লাভ কৰে। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ প্ৰাৰ্থী আশাদ আলীক ১৩,৬৭৩ ৰো অধিক ভোটত হৰুৱায়। এই জয়লাভেৰে তেওঁ হেটট্ৰিক অৰ্জন কৰা পৰিলক্ষিত হয়। জিলা পৰিষদ সদস্যা হিচাপে ফৰিদা ইয়াছমিন মিঞাই জয়লাভ কৰাত উৎফুল্লিত হৈ পৰে নায়েৰ আলগা টিলাপাৰা পৰিষদ সমষ্টিবাসী। ইফালে ভতিজা মনোৱাৰ হুছেইন AIUDF দলৰ টিকট লাভ কৰি নায়েৰ আলগা টিলাপাৰা জিলা পৰিষদ সদস্য পদত প্ৰতিদ্বন্দ্বিতা কৰি ফৰিদা ইয়াছমিন মিঞাৰ লগত ২০ হাজাৰৰো অধিক ভোটত পৰাস্ত হৈ তৃতীয় স্থানত থাকিবলগীয়া হয়। পূৰ্বেও প্ৰাক্তন বিধায়ক আলী আকবৰ মিঞাৰ ভতিজা মনোৱাৰ হুছেইনে নায়েৰ আলগা সমবায় সমিতিৰ সাধাৰণ নিৰ্বাচনত সদস্য পদত পৰাজিত বৰণ কৰিছিল। মনোৱাৰ হুছেইনে এটাৰ পিছত এটা নিৰ্বাচনত মুখ থেকেচা খোৱা পৰিলক্ষিত হৈছে। আনহাতে ১৩ নং মহামায়া জিলা পৰিষদ সমষ্টিৰ পৰা ৰাইজৰ দলৰ মনোনীত প্ৰাৰ্থী ছবুৰা খাতুনে বিপুল ভোটত জয়লাভ কৰে। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ধুবুৰী জিলা পৰিষদ চেয়াৰমেন আছাদুৰ ৰহমানৰ পত্নী ছাগিৰা খাতুনক ১৩ হাজাৰ ভোটৰ পৰাস্ত কৰি মহামায়া জিলা পৰিষদ সমষ্টিৰ সদস্যা হিচাপে নিৰ্বাচিত হয়।

# ৰাণীৰ মেকুৰীকুছি প্ৰাথমিক বিদ্যালয় চৌহদত গছপুলি ৰোপণ

**ই-সংবাদ, মিৰ্জা, ১৩ মে':** গুৱাহাটী মহানগৰীৰ পাৰ্শ্ববৰ্তী ৰাণীৰ মেকুৰীকুছি প্ৰাথমিক বিদ্যালয় চৌহদত ১২ মে'ত এক গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে মৈৰাপুৰ ভিলেজ পট্টালেগু ষ্টোন'ৰ উদ্যোগত আৰু মেকুৰীকুছি মিলন শিল্পী সংঘৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচীত মেকুৰীকুছি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, মেকুৰীকুছি ৰাইজ গয়ৰহৰ সভাপতি ভূপেন ৰাভা, নগাঁও সামাজিক বনানিকৰণৰ বন সংমণ্ডল বিষয়া ৰোহিণী কুমাৰ দাস, পূব কামৰূপ বন সংমণ্ডলৰ সহকাৰী বন সংৰক্ষক মনোৰঞ্জন বৰ্মন, মৈৰাপুৰ ভিলেজ পট্টালেগু ষ্টোন'ৰ স্বত্বাধিকাৰী বাবুল ৰাভা, ৰাণী অঞ্চলৰ বিশিষ্ট ব্যৱসায়ী অনিল গোস্বামীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকি গছপুলি ৰোপণ কৰে। এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰি সংমণ্ডল বিষয়া গৰাকীয়ে কয় যে পাৰিপাৰ্শ্বিকতা অক্ষুণ্ণ ৰক্ষা, প্ৰদূষণ মুক্ত পৰিবেশ গঢ়াৰ স্বাৰ্থত প্ৰতিটো দিনত আমি গছ পুলি ৰোপণ কৰাৰ লগতে গছপুলি ৰোপণৰ বাবে উৎসাহিত কৰিব লাগে।

# দশম শ্ৰেণীৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ মাৰ্ঘেৰিটাৰ মনালিছা দত্ত

**ই-সংবাদ, মাৰ্ঘেৰিটা, ১৩ মে':** সদ্য ঘোষিত CBSCৰ দশম শ্ৰেণীৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ মাৰ্ঘেৰিটালৈ গৌৰৱ কঢ়িয়াই আনিলে মনালিছা দত্তই। মনালিছা মাৰ্ঘেৰিটাৰ কালিবাড়ী নিবাসী মৌচুমী দত্ত আৰু পৰীক্ষিত দত্ত সুযোগ্য কন্যা। মনালিছাই মাৰ্ঘেৰিটাৰ বৰগোলাইস্থিত কেন্দ্ৰীয় বিদ্যালয়ৰ বিবেকানন্দ বিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈছিল। দশম শ্ৰেণীৰ পৰীক্ষাত মনালিছাই গণিত আৰু ইনফৰ্মেচন টেকন'লজিত ১০০ ভিতৰত ১০০ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে ইংৰাজীত ৯৩, হিন্দীত ৯৫, বিজ্ঞানত ৯৭ আৰু সমাজবিজ্ঞানত ৯৮ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। মনালিছাৰ এই সাফল্যত উৎফুল্লিত পিতৃ-মাতৃৰ লগতে পৰিয়ালটো। মনালিছাই পঢ়া-শুনা কৰাৰ লগতে আৰ্ট, গানৰো চৰ্চা কৰি আহিছে। ভৱিষ্যতে কলা শাখাত নামভৰ্তি কৰি সফলতা অৰ্জন কৰাৰ আশা পুহি ৰাখিছে মনালিছাই।

# চান্দকুছিৰ বৰআজাৰাত 'শ্ৰীৰাম ফিটনেছ' নামেৰে জিম মুকলি

**ই-সংবাদ, বাঁহজানী, ১৩ মে':** বাসন্তী খলা উন্নয়ন সমিতিৰ উদ্যোগত আৰু অগ্ৰগতি সংঘ বৰআজাৰাৰ সহযোগত নলবাৰীৰ সাংস্কৃতিক প্ৰকল্প বৰআজাৰাত শ্ৰীৰাম ফিটনেছ নামেৰে মঙলবাৰে এটা জিম মুকলি কৰা হয়। শ্ৰীৰাম ফিটনেছ জিমটো আনুষ্ঠানিকভাৱে মুকলি কৰি ২০০৯ ৰ মিষ্টাৰ ইউনিভাৰ্ছ মহাদেৱ ডেকাই কয়, বাঁহজানী অঞ্চলটোৰ এটা সুকীয়া নাম আছে। জয়ন্তমল্ল বৰুৱাৰ সমষ্টি এইটো। আজিকালি প্ৰায়ভাগ মানুহ বেয়াৰ ফালে গতি কৰিছে। মদ, ভাং খোৱা কৰিছে। একেদিনাই ক'লে মদ, ভাং খোৱা বন্ধ নহয়। সেইটো নিচা বন্ধ কৰিবলৈ হ'লে এটা বেলেগ নিচা লগাব লাগিব। অনুষ্ঠানটোত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ সহধৰ্মিণী তথা সমাজ সেৱিকা জুলি ডেকা বৰুৱা, নলবাৰী জিলাৰ এন ডি এ ৰ অধ্যক্ষ বনদ্বীপ ডেকা, নলবাৰী জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱাৰ লগতে বাসন্তী খলা উন্নয়ন সমিতি, অগ্ৰগতি সংঘ বৰআজাৰাৰ সমূহ বিষয়ববীয়া উপস্থিত থাকে।

# বাগৰি পৰিল ৰাণীৰ কৈলাসপুৰ পানী যোগান কেন্দ্ৰৰ দেৱাল

**ই-সংবাদ, মিৰ্জা, ১৩ মে':** অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা পৰিচালিত এখন ব্যয় বহুল আঁচনি হ'ল জলজীৱন মিছন চমুকৈ জে জে এম। কিন্তু আঁচনিখনৰ সফল ৰূপায়ণ হোৱা নাই বুলি ৰাজ্যখনৰ চৌদিশত প্ৰায়ে অভিযোগ উত্থাপন হোৱা দেখা যায়। তাৰেই এটি সৰু উদাহৰণ হ'ল ২০২৩ বিত্তীয় বৰ্ষৰ অনুদানেৰে নিৰ্মাণ কৰা ৰাণীৰ কৈলাসপুৰ পানী যোগান কেন্দ্ৰটো। গুৱাহাটী মহানগৰীৰ পাৰ্শ্ববৰ্তী তথা পশ্চিম গুৱাহাটী সমষ্টিৰ ৰাণীৰ কৈলাসপুৰত নিৰ্মাণ কৰা জলজীৱন মিছনৰ পানী যোগান কেন্দ্ৰটোৰ আনুষ্ঠানিকভাৱে মুকলি হোৱাৰ পূৰ্বেই বাগৰি পৰিল চৌহদৰ এখন দেৱাল। উল্লেখনীয় যে পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই ২০২৩ বৰ্ষৰ ২৭ আগষ্টত কৈলাসপুৰ পানী যোগান কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিছিল। ৰাণীৰ ফ'ৰেষ্ট চ'কৰ নাতি দূৰৈৰ ৰাণী-মাইৰাং আন্তঃৰাজ্যিক সংযোগী পথৰ দাঁতিত নিৰ্মাণ কৰা এই পানী যোগান কেন্দ্ৰটোৰ স্থান পূৰ্বতে অতি দ আছিল। সেই দ ঠাইখিনিত পদ্ধতিগতভাৱে মাটি পেলাই ওখ কৰিব লাগিছিল। কিন্তু উক্ত ঠাইখিনিত যি ধৰণে মাটি পেলাই ওখ কৰিব লাগিছিল সেই ধৰণে কৰা নাছিল বুলি স্থানীয় একাংশ সচেতন লোকে অভিযোগ কৰে। ইপিনে, মাটিৰ তলিখন সম্পূৰ্ণৰূপে বহি যাবলৈ নৌপাওঁতেই দেৱাল নিৰ্মাণৰ কাৰ্যও সম্পূৰ্ণ হৈ উঠিছিল। আঁসোৱাহপূৰ্ণভাৱে নিৰ্মাণ কৰাৰ ফলত চৌহদৰ দেৱালখন বাগৰি পৰে। তদুপৰি নিৰ্মাণ কাৰ্যত অতি নিম্নমানৰ শিল, বালি, চিমেণ্ট, ৰ'ড আদি সামগ্ৰী লগতে দেৱালসমূহত ৰ'ডৰ সলনি কয়ল ব্যৱহাৰ কৰা বুলিও অভিযোগ উত্থাপিত হৈছে।




অঞ্চলটোৰ কেইগৰাকীও সচেতন লোকে নিৰ্মাণ কাৰ্যত ব্যৱহৃত শিল, বালি, চিমেণ্টৰ মিশ্ৰণৰ অনুপাত পৰীক্ষাৰ বাবে বাগৰিপৰা দেৱালখনৰ চিমেণ্টৰ টুকুৰা সংগ্ৰহ কৰে। পৰীক্ষাগাৰত প্ৰেৰণ কৰা নমুনাসমূহৰ প্ৰতিবেদন আহি পোৱাৰ পিছত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যালয়ৰ পৰাও নিৰ্মাণ সম্পৰ্কীয় নথি-পত্ৰ সংগ্ৰহ কৰিব। যদি চৰকাৰী নীতি মতে নিৰ্মাণ কাৰ্য চলোৱা নাই, তেনেহ'লে ঠিকাদাৰ আৰু এই নিৰ্মাণ কাৰ্যত তত্ত্বাৱধায়ক ৰূপে জড়িত অভিযন্তাগৰাকীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলিও উক্ত লোককেইজনে ব্যক্ত কৰে। ইপিনে, আঁসোৱাহপূৰ্ণভাৱে কৰা নিৰ্মাণ কাৰ্যৰ লগত জড়িত ঠিকাদাৰ, অভিযন্তাগৰাকীক বিভাগীয় তদন্তৰ আওঁতালৈ আনিব লাগে বুলিও ৰাইজে দাবী কৰে। কিয়নো ৰাজহুৱা সম্পদ এটা এইধৰণে নিৰ্মাণ কৰি থৈ যোৱাৰ ফলত বৃহৎ ক্ষতিৰ সন্মুখীন ৰাইজেই হ'ব লাগিব।

# বাঘমাৰা চৰ জিলা পৰিষদ এআইইউডিএফৰ দখলত

**ই-সংবাদ, শিমলীতোলা, ১৩ মে':** বৰপেটা জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ মুঠ গাঁও পঞ্চায়তৰ সদস্য ১০২০ খন আসনৰ ফলাফল ঘোষণা কৰা হয়। আনহাতে, কাউন্সিলৰ ১০২ খন আসনৰ ভিতৰত এআইইউডিএফে ২৩ খন, বিজেপিয়ে ১৬ খন, এজিপিয়ে ৫ খন, কংগ্ৰেছে ৪৫ খন, আপে ১ খন, ৰাইজৰ দলে ২ আসন, নিৰ্দলীয়ই ১০ আসন লাভ কৰে। জিলা পৰিষদৰ ১৯ খন আসনৰ ভিতৰত বিজেপিয়ে ৫ খন, কংগ্ৰেছে ৯ খন, এআইইউডিএফে ২ খন, অগপয়ে ২ খন আৰু নিৰ্দলীয়ই ১ খন আসন লাভ কৰিবলৈ সক্ষম হয়। ২৩ নং চেঙা বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৭ নং খোলাবান্ধা জিলা পৰিষদৰ সদস্য পদৰ নিৰ্দলীয় প্ৰাৰ্থী আমিৰ হামজাই জয় লাভ কৰে। জানিব পৰা মতে, আলোপতি মাজৰচৰ, কাছুমাৰা, খোলাবান্ধা আৰু ম'হচৰা এই চাৰিখন গাঁও পঞ্চায়তৰে গঠিত খোলাবান্ধা জিলা পৰিষদৰ পৰা আমিৰ হামজাই কংগ্ৰেছৰ পৰা দলীয় প্ৰাৰ্থিত্ব নাপাই নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আমিৰ হামজাই সৰ্বমুঠ ১৬,১০৯ টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ প্ৰাৰ্থী অধিবক্তা আব্দুল মান্নানতকৈ ৫,৪৭৮ টা ভোট বেছি লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে জিলা পৰিষদটোৰ অধীনস্থ চাৰিখন গাঁও পঞ্চায়তত আঞ্চলিক পঞ্চায়তৰ সদস্য পদত ক্ৰমে- বাঘমাৰা চৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত কংগ্ৰেছৰ শ্বাহানুৰ ৰহমান, ভাতনাপাইতি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত এ আই ইউ ডি এফৰ আচমিনা হক, ৰামাপাৰা ধৰ্মপুৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা পদত নিৰ্দলীয় প্ৰাৰ্থী আয়শা খাতুন, উজিৰেৰ চৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা পদত নিৰ্দলীয় প্ৰাৰ্থী আনজ্ঞু মনোৱাৰা বেগম, আলোপতি মাজৰচৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থী আবুল বাসাৰ আনছাৰী, খোলাবান্ধাৰ পৰা এআইইউডিএফৰ প্ৰাৰ্থী আমিনা খাতুন, কাছুমাৰাৰ পৰা এআইইউডিএফৰ প্ৰাৰ্থী নুৰ আলম আকন্দ আৰু ম'হচৰাৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী মুস্তাফিজুৰ ৰহমানে জয় লাভ কৰিছে। ইপিনে, জিলাখনৰ ১৬ নং বাঘমাৰা জিলা পৰিষদ সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী আকলিমা খাতুনক এআইইউডিএফৰ প্ৰাৰ্থী কহিনুৰ বেগমে ২০৬৬ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিজয় সাব্যস্ত কৰে।

# চিবিএছইৰ ফলাফলত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ সফলতা

**ই-সংবাদ, ই-সংবাদ ব্যুৰ', নলবাৰী, ১৩ মে':** নলবাৰীৰ সন্ধেলিস্থিত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ে আজি ঘোষিত চিবিএছইৰ দশম আৰু দ্বাদশ ব'ৰ্ড পৰীক্ষাত এইবেলিও ১০০% সফলতা অৰ্জন কৰি পুনৰবাৰ নিজৰ শৈক্ষিক উৎকৰ্ষতা প্ৰদৰ্শন কৰিছে। উৎকৃষ্ট প্ৰদৰ্শনেৰে বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে ছাত্ৰ-ছাত্ৰীসকলে। উল্লেখ্য যে বিদ্যালয়ৰ ছাত্ৰ মেহেক মৃদং বড়োৱে ৯৮.৪% নম্বৰ লাভ কৰি প্ৰথম স্থান দখল কৰাৰ লগতে বিজ্ঞান বিষয়ত ১০০ নম্বৰৰ ভিতৰত ১০০ নম্বৰ লাভ কৰি এক অভূতপূৰ্ব কৃতিত্ব অৰ্জন কৰে। অসমীয়া আৰু বিজ্ঞান দুয়োটা বিষয়তে ১০০ৰ ভিতৰত ১০০ নম্বৰ লাভ কৰি ৯৭.২% নম্বৰ লাভ কৰি দ্বিতীয় স্থান দখল কৰে উপাসনা শাণ্ডিল্যই। নিষ্ঠাজিতা ডেকাই ৯৬.৬% নম্বৰ লাভ কৰি তৃতীয় স্থান দখল কৰে। আনহাতে, অংকিত দত্তই তথ্য প্ৰযুক্তি (আই টি)ত ১০০ নম্বৰৰ ভিতৰত ১০০ নম্বৰ লাভ কৰি নিজৰ দক্ষতা প্ৰমাণ কৰে। ইপিনে, দ্বাদশ শ্ৰেণীৰ বিজ্ঞান আৰু কলা শাখাতো বিদ্যালয়খনে উল্লেখযোগ্য ফলাফল দেখুৱাবলৈ সক্ষম হয়। বিজ্ঞান শাখাত ইৰানা চুলতানাই ৯৪.৬% নম্বৰ লাভ কৰি বিদ্যালয়ত প্ৰথম স্থান দখল কৰে। প্ৰজ্ঞান প্ৰতিম বশিষ্ঠই ৯৪.২% নম্বৰেৰে দ্বিতীয় স্থান আৰু হৃদয় প্ৰতিম শৰ্মাই ৮৪.২% নম্বৰেৰে তৃতীয় স্থান দখল কৰে। কলা শাখাত কৃষ্ণক্ষী পাটোৱাৰীয়ে ৯৩.৪% নম্বৰ লাভ কৰি প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে ক্ৰমে ভাৰজিৎ ডি ভৰদ্বাজে ৯২.৬% আৰু প্ৰিন্সি বৈশ্যই ৯২.২% নম্বৰ লাভ কৰি দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। বিদ্যালয়খনৰ অধ্যক্ষ আৰু উপাধ্যক্ষই সকলো সফল ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনাই কয় যে এই কৃতিত্ব ছাত্ৰ-ছাত্ৰীৰ নিৰন্তৰ কঠোৰ পৰিশ্ৰম, শিক্ষকৰ সক্ষম পথ প্ৰদৰ্শন আৰু অভিভাৱকৰ সহযোগিতাৰ ফল। ভৱিষ্যতেও ছাত্ৰ-ছাত্ৰীসকলে সফলতাৰ নতুন উচ্চতা স্পৰ্শ কৰি যাব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। এই ফলাফলে সকলোকে আনন্দিত কৰি তোলা দেখা গৈছে।

# হালাকুৰাত বিলাসীবাহনসহ ৪ কুইণ্টল গো-মাংস জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ১৩ মে':** পঞ্চায়ত নিৰ্বাচনক লৈ আৰক্ষী প্ৰশাসন ব্যস্ত হৈ থকাৰ সুযোগ লৈ অসাধু চক্ৰই গো-মাংস আৰু গো-ধনৰ ৰমৰমীয়া ব্যৱসায় আৰম্ভ কৰিছে। ধুবুৰী জিলাৰ হালাকুৰা পহৰা চকীৰ আৰক্ষীয়ে আজি পুৱা গোপন খবৰৰ ভিত্তিত পশ্চিমবংগৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৌৰীপুৰ অভিমুখী AS-17 J-0533 নম্বৰৰ এখন আৰটিকা বাহনক সন্দেহবশতঃ ৰখাবলৈ নিৰ্দেশ দিয়ে যদিও আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি বাহনখনে তীব্ৰ বেগত পলায়ন কৰে। আৰক্ষী পিছে পিছে খেদি যোৱাত পথৰ কাষত গাড়ী এৰি সৰবৰাহকাৰী পলায়ন কৰে। বাহনখনত আৰক্ষীয়ে তালাচী চলোৱাত গোপনে মোনাত ভৰাই অনা প্ৰায় চাৰি কুইণ্টল নিষিদ্ধ গো-মাংস উদ্ধাৰ কৰে। বিলাসীবাহন, পিকআপ ভেনত ৰাষ্ট্ৰীয় ঘাইপথৰে নিতৌ অবৈধভাৱে গো-মাংস সৰবৰাহ হোৱাৰ বিপৰীতে আগমনি থানা এলেকাৰে পুৱতি নিশা পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখে গো-মাংস কঢ়িওৱা বাইক-স্কুটীয়ে শাৰি পাতে। কালি আগমনি আৰক্ষীয়ে আলুৰ বস্তাৰ তলত লুকাই অনা WB-73 C-1087 নম্বৰৰ ট্ৰাক এখনৰ পৰা ১২ টা গৰু উদ্ধাৰ কৰা ঘটনাই তাৎপৰ্য বহন কৰিছে।

# উত্তৰ-পশ্চিম যোৰহাটত কুসংস্কাৰ বিৰোধী দিৱস

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৩ মে':** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উত্তৰ-পশ্চিম যোৰহাট (ঢেঁকৰগঢ়া)-ৰ উন্নয়ন খণ্ডৰ অধীনস্থ দিচৈপৰীয়া ক্লাষ্টাৰ লেভেল ফেডাৰেচনে ১৩ মে'ত মালৌখাতৰ পঞ্চায়তৰ প্ৰেক্ষাগৃহত অন্ধবিশ্বাস, কুসংস্কাৰ বিৰোধী দিৱস পালন কৰে। সংযোগ সখী মিনু কুমাৰী বৰা, ঋতুপৰ্ণা ভুঞা বৰা, স্বৰ্ণমণি পাঠক দাসৰ উদ্যোগত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে ফেডাৰেচনৰ সভাপতি কুসুম কুমাৰী শইকীয়াই। মিনু কুমাৰী বৰাই আঁতধৰা সভাখনত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ সম্পৰ্কত পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, শিশু সুৰক্ষা, বাল্যবিবাহ প্ৰতিৰোধৰ সম্পৰ্কত শিশু সুৰক্ষা যোৰহাট জিলাৰ চাইল্ড হেল্পলাইনৰ কেছ ৱৰ্কাৰ যাদৱ দত্তই বক্তব্য আগবঢ়ায়। কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ কৰি ২০২১ চনত ভাৰত চৰকাৰৰ পৰা পদ্মশ্ৰী বঁটা লাভ কৰা বীৰুবালা ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি ৰাজ্যখনতে অনুষ্ঠিত কৰা অন্ধবিশ্বাস বিৰোধী দিৱস ফেডাৰেচনে এইবছৰৰ পৰা প্ৰতিবছৰে পালনৰ সংকল্পৰে আৰম্ভণি কৰে। সভাখনত স্থানীয় নামঘৰীয়া লক্ষীৰাম দাস, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰধান বীৰেন বৰা, অংগনৱাড়ী কৰ্মী কৃষ্ণা গগৈ, আশাকৰ্মী নিজৰা গগৈয়ে বক্তব্য আগবঢ়ায়। ফেডাৰেচনৰ সম্পাদিকা ৰীতা (কুইন) বৰবৰা, বুক কিপাৰ পম্পী শইকীয়াৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উত্তৰ-পশ্চিম যোৰহাটৰ সৈতে জড়িতসকলৰ উপৰি ৪৬ টা গ্ৰাম্য সংগঠনৰ সৈতে জড়িতসকলে সভাখন সফল ৰূপায়ণত সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে, দিচৈপৰীয়া ক্লাষ্টাৰ লেভেল ফেডাৰেচনৰ সৈতে ৭,৭০২ গৰাকী আত্মসহায়ক গোটৰ সদস্য জড়িত হৈ আছে। ফেডাৰেচনে বিভিন্ন কাৰ্যসূচী উন্নয়ন খণ্ডটোৰ এলেকাভুক্ত স্থানসমূহত সন্দালনিকৈ ৰূপায়ণ কৰি আহিছে। ইফালে, বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সৃষ্টিৰ উদ্যোগতো অন্ধবিশ্বাস, কুসংস্কাৰ বিৰোধী দিৱস ১৩ মে'ত পালন কৰা হয়। আৰম্ভণিতে বীৰুবালা ৰাভাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত ধূপ-দীপ প্ৰজ্বলন কৰাৰ লগতে সৃষ্টিৰ উদ্যোগত প্ৰতিবছৰে কুসংস্কাৰ, অন্ধবিশ্বাস বিৰোধী দিৱস পালনৰ সিদ্ধান্ত কৰি এইবছৰ প্ৰথম অনুষ্ঠিত কৰে।

# মৰিগাঁৱত জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, মৰিগাঁও, ১৩ মে':** অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৬০ জন শ্বহীদৰ পৰিয়াল বৰ্গৰ উমৈহতীয়া সংগঠন সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ ৩৫ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসটি আজি মৰিগাঁৱত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। মৰিগাঁও চহৰৰ পছতীয়াস্থিত সৰ্বমংগলম সংগীত মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এই প্ৰতিষ্ঠা দিৱসত পুৱা সংগঠনটোৰ পতাকা উত্তোলন কৰে সভাপতি তথা শ্বহীদ বাবুলাল ডেকাৰ ভাতৃ ৰাজেন ডেকাই। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদক তথা অসম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ ভাতৃ চন্দ্ৰকান্ত তালুকদাৰে আৰু স্মৃতি তৰ্পণ মুকলি কৰে জিলা সমিতিৰ সভাপতি কন্দৰ্প ডেকাই। পুৱাৰ ভাগতে অতীত ৰোমন্থন শীৰ্ষক এক




মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সভাপতি ৰাজেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতাই। তেওঁ ভাষণ প্ৰসংগত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ মহান ত্যাগৰ প্ৰকৃত মূল্যায়ন চৰকাৰ পক্ষৰ পৰা আজিও নহ'ল বুলি মন্তব্য কৰে। অনুষ্ঠানত উপস্থিত থাকে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, প্ৰাক্তন সভাপতি তথা সংগঠনটোৰ উপদেষ্টা বিৰিঞ্চি কুমাৰ শৰ্মা। প্ৰাক্তন সম্পাদক প্ৰণৱ কুমাৰ ভট্টাচাৰ্য আৰু সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শিৱ দাসে ভাষণ প্ৰদান কৰি অসম আন্দোলনৰ পৰিসমাপ্তিত হোৱা অসম চুক্তিৰ সকলো দফা আজিও কাৰ্যকৰী নোহোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। অনুষ্ঠানত কণমানি শিল্পী হাচিফা আলম, ইখটাৰা বেগম আৰু জেচি যোগীয়ে একোটাকৈ নৃত্য পৰিৱেশন কৰে। ইফালে, দুপৰীয়াৰ ভাগত সংগঠনটোৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। এই সভাতে অসম চুক্তিৰ প্ৰতিটো দফা কাৰ্যকৰী কৰা, বিদেশী সমস্যাৰ স্থায়ী সমাধান আৰু অসমৰ জ্বলন্ত সমস্যাসমূহৰ শীঘ্ৰে আশু সমাধান কৰাৰ বাবে চৰকাৰক দাবী জনায়। লগতে এই সম্পৰ্কত ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ লগত শীঘ্ৰে এক আলোচনাত মিলিত হোৱাৰ উপৰি সভাত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আৰু প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# নাজিৰাত মহাসতী ৰাধিকা স্মৃতি দিৱস উদযাপন, দেশৰ জোৱানসকলৰ বাবে প্ৰাৰ্থনা



**ই-সংবাদ, নাজিৰা, ১৩ মে':** জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আখ্যায়িত মহাসতী ৰাধিকাৰ ৫৬৯ সংখ্যক জন্মজয়ন্তী উপলক্ষে ১২ মে'ত নাজিৰা আমোলাপট্টি বৰনামঘৰত চৰকাৰৰ নিৰ্দেশনাক মান্যতা দি অনুষ্ঠুপীয়াকৈ স্মৃতি দিৱস উদযাপন কৰা হয়। নাজিৰা আমোলাপট্টি আই মাতৃসকলৰ উদ্যোগত আৰু যুৱ সমাজৰ সহযোগত মহাসতী ৰাধিকা স্মৃতি সুঁৱৰি বৰনামঘৰ প্ৰাংগণত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে মহাসতী ৰাধিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে স্থানীয় ধৰ্মপ্ৰাণ ব্যক্তি কৰুণা বৰাই। যুৱ সমাজৰ সভাপতি দিলীপ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত নাজিৰা পৌৰসভাৰ ৱাৰ্ড সদস্যাদ্বয় শুৱলা দাস আৰু ঊষাৰাণী হাজৰিকাৰ লগতে ইলা হাজৰিকা, অণু দাস, ৰীতা দাস বড়া আদিকে ধৰি অৰ্ধশতাধিক আইমাতৃ আৰু ভালেকেইজন ব্যক্তিয়ে মহাসতী ৰাধিকাৰ স্মৃতিচাৰণ কৰে। ইয়াৰ পিছতে বৰনামঘৰত দিলীপ হাজৰিকা, কৰুণা বৰা আৰু শুৱলা দাসে মহাসতী ৰাধিকাৰ জীৱন-দৰ্শনৰ ওপৰত আলোকপাত কৰি বক্তব্য দাঙি ধৰে। অনুষ্ঠানত সম্প্ৰতি ভাৰত-পাকিস্তানৰ সীমান্তত শত্ৰুপক্ষৰ সৈতে যুঁজ দি ভাৰতীয় সেনা জোৱানসকলৰ বলিদানক ভগৱন্তই চিৰশান্তি আৰু আহতসকলৰ আৰোগ্যৰ লগতে মংগল কামনাৰ্থে সমজুৱা প্ৰাৰ্থনা জনোৱাৰ লগতে মহাসতী ৰাধিকাৰ স্মৃতিত ভাগৱত পাঠ কৰা হয়।

# বৰপেটাৰোডত ১১০গৰাকী ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা 'দ্য বৰপেটাৰোড ক্লাব'ৰ

**ই-সংবাদ, বৰপেটাৰোড, ১৩ মে':** বৃহত্তৰ বৰপেটাৰোড অঞ্চলত ২০২৫ বৰ্ষত উচ্চতৰ মাধ্যমিক পৰীক্ষাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে ৮০ শতাংশ নম্বৰ বা (ডিচটিংচন)সহ সুখ্যাতিৰে উত্তীৰ্ণ হৈছে সেইসকল ছাত্ৰ-ছাত্ৰীক আজি 'দ্য বৰপেটাৰোড ক্লাব'য়ে সম্বৰ্ধনা জনাই ছাত্ৰ-ছাত্ৰীসকলক আগন্তুক দিনত আৰু এখোজ আগবাঢ়ি যোৱাৰ বাবে অনুপ্ৰেৰণা যোগায়। ক্লাবৰ উদ্যোগত ১৯৮৪ চনৰ পৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰি অহা হৈছে। বৃহত্তৰ বৰপেটাৰোড এলেকাক সামৰি উচ্চতৰ মাধ্যমিক পৰীক্ষাত এই বছৰ ৮০% আৰু ৮০% ওপৰত নম্বৰ পাই যিসকল ছাত্ৰ-ছাত্ৰী উত্তীণ হৈছে তেওঁলোকক বৰপেটাৰোড ক্লাবৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে দ্য বৰপেটাৰোড ক্লাবৰ সভাপতি বাবুলাল মৰে। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম বিধান সভাৰ প্ৰাক্তন প্ৰধান সচিব, IAS হেমেন দাস। আজিৰ সভাত মুঠ ১১০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ ভিতৰত অসম ব্ৰিলিয়েণ্ট একাডেমী, দ্ৰোণাচাৰ্য একাডেমী, জি এল চি কলেজ, জে চি মেক্সৱেল বিজ্ঞান ইনষ্টিটিউট, বৰপেটাৰোড আদৰ্শ একাডেমী, ৰাজপুত একাডেমী, মানস নেচনেল একাডেমী, হেল্পলাইন একাডেমী, মডাৰ্ন একাডেমী অন্যতম। বিজ্ঞান শাখা, বাণিজ্য শাখা আৰু কলা শাখাৰ তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক নগদ দহ হাজাৰকৈ ধন প্ৰদান কৰা হয়। বিজ্ঞান শাখাৰ অসম ব্ৰিলিয়েণ্ট একাডেমীৰ ছাত্ৰী ভূমি সাহা (৯১%)ক প্ৰয়াত হংস বল্লৱ চৌধুৰী সোঁৱৰণী বঁটা প্ৰদান কৰে চিত্ৰলেখা চৌধুৰীয়ে। কলা শাখাত অসম ব্ৰিলিয়েণ্ট একাডেমীৰ ছাত্ৰ বাস্তৱ কাশ্যপ( ৯৩.৮%)ক প্ৰয়াত বিনন্দ চন্দ্ৰ পাঠক স্মৃতি বঁটা প্ৰদান কৰে ডাঃ ৰামানন্দ পাঠকে। বাণিজ্য শাখাত দ্ৰোণাচাৰ্য একাডেমীৰ ছাত্ৰী গাৰ্গী সৰকাৰ (৯৪%)ক বঁটা প্ৰদান কৰে দ্য বৰপেটা ৰোড ক্লাবৰ সভাপতি বাবুলাল মৰে। সভাখনৰ আঁত ধৰে দ্য বৰপেটাৰোড ক্লাবৰ সম্পাদক অৰূপ কুমাৰ বায়নে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# সোণাৰিৰ টিয়কঘাট ৰাজহুৱা ৰঙালী বিহু সন্মিলনৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, সোণাৰি, ১৩ মে':** কেৱল মাত্ৰ সাংস্কৃতিক অনুষ্ঠানতে সীমাবদ্ধ নাথাকি মঞ্চত স্থানীয় তথা আমন্ত্ৰিত হুঁচৰি তথা জেং বিহু দলসমূহক বিহু প্ৰদৰ্শনৰ লগতে জনসাধাৰণৰ সুবিধাৰ্থে এম্বুলেন্স সেৱা মুকলি কৰি আদৰ্শ দেখুৱালে বৃহত্তৰ টিয়কঘাট ৰাজহুৱা ৰঙালী বিহু সন্মিলনে। যোৱা ৭ আৰু ৮ মে'ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বিহু সন্মিলনখনৰ মুকলি সভাতেই ৰাইজৰ সুবিধাৰ্থে মুকলি কৰা হয় এম্বুলেন্স সেৱা। বিগত বছৰত অনুষ্ঠিত হোৱা ৰঙালী বিহু সন্মিলনৰ ৰাহি ধনেৰে ৰাইজৰ বাবে মুকলি কৰা হয় এই এম্বুলেন্স সেৱা। উল্লেখ্য যে, চৰাইদেউ জিলাৰ সোণাৰিৰ পাৰ্শ্বৱৰ্তী ৰজাপুখুৰী গাঁও পঞ্চায়ত খেলপথাৰত অনুষ্ঠিত বৃহত্তৰ টিয়কঘাট ৰাজহুৱা ৰঙালী বিহু সন্মিলনখনৰ দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সফলভাৱে সামৰণি পৰে। সন্মিলনৰ প্ৰথমটো দিনত পুৱা উদযাপন সমিতিৰ সভাপতিয়ে পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, বাৰেৰহণীয়াসাংস্কৃতিক শোভাযাত্ৰা, চেমনীয়া হুঁচৰি বিহু, চেমনীয়া জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে, সন্ধিয়া আমন্ত্ৰিত হুঁচৰি আৰু জেং বিহু প্ৰদৰ্শন কৰা হয়। দ্বিতীয় দিনা কাৰ্যসূচী অনুসৰি শিশুসকলৰ মাজত পৰম্পৰাগত খেল-ধেমালিৰ লগতে শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধিয়া উদযাপন সমিতিৰ ডিম্বেশ্বৰ সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰ জ্যোতি মহন্তই বিহুৰ ইতিহাসৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক সময়লৈকে বিহুৰ বিভিন্ন বৈশিষ্ট সন্দৰ্ভত আলোকপাত কৰি তত্বগধুৰ ভাষণ প্ৰদান কৰে। সভাত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ তপন কুমাৰ গগৈ, টাইপাৰ সভাপতি বিজয় ৰাজকোঁৱৰ, আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য প্ৰশান্ত দত্তৰ লগতে যথেষ্ট সংখ্যক গণ্য মান্য ব্যক্তি অতিথি হিচাপে উপস্থিত থাকে।

# দুধনৈত 'অন্ধবিশ্বাস বিৰুদ্ধ দিৱস-২০২৫' পালন

ই-সংবাদ, ধূপধৰা, ১৩ মে': ডাইনী, অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে অদমনীয় সাহস আৰু উদ্যমেৰে সমাজক সজাগ কৰি তোলা প্ৰসিদ্ধ সাহসী সমাজকৰ্মী পদ্মশ্ৰী ড০ বীৰুবালা ৰাভাৰ আজি প্ৰথম মৃত্যু বাৰ্ষিকী। যোৱা বৰ্ষৰ তেৰ মে'ত ৭০ বছৰ বয়সত গুৱাহাটীত মৃত্যু হৈছিল সাহসী মহিলাগৰাকীৰ। গোৱালপাৰা জিলাৰ দুধনৈত আজি ড০ বীৰুবালাৰ ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকী পালন কৰা হয়। অৱশ্যে দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰউদ্যোগত পদ্মশ্ৰী ড০ বীৰুবালা ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকী পৰিষদৰ সচিবালয় প্ৰেক্ষাগৃহত অনুষ্টুপীয়াকৈ পালন কৰা হয়। উল্লেখ্য যে, ডাইনী প্ৰথা, অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি অহৰহ সমাজখন নিকা আৰু কু-সংস্কাৰ মুক্ত কৰাৰ হকে কাম কৰা ড০ বীৰুবালা ৰাভা স্বৰ্গগামী হোৱা আজি এটা বছৰ সম্পূৰ্ণ হ'ল। এই বিশেষ দিনটোত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ, সচিব, নৱনিৰ্বাচিত পাৰিষদসকল, ৰাভা জাতীয় দল-সংগঠনৰ নেতৃবৰ্গৰ উপস্থিতিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই বন্তি প্ৰজ্বলন কৰি প্ৰয়াত বীৰুবালা ৰাভাৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰি তেখেতক শ্ৰদ্ধাৰে স্মৰণ কৰে।

# তিনিচুকীয়াৰ বৰলাইপুলিত 'সুমিত্ৰা সুবাস' স্মাৰক গ্ৰন্থৰ উন্মোচনী সভা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ মে':** তিনিচুকীয়াৰ বৰলাইপুলিৰ মৰাণকাৰী গাঁও নিবাসী তথা বামবাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী সদ্যপ্ৰয়াত সুমিত্ৰা ভৰালী চুতীয়াৰ পৰিয়ালবৰ্গই নিজ বাসগৃহত সোমবাৰে অনুষ্ঠিত আদ্যশ্ৰাদ্ধ উপলক্ষে প্ৰকাশ কৰি উলিওৱা 'সুমিত্ৰা সুবাস' নামৰ স্মাৰক গ্ৰন্থখনি শুভ উন্মোচন কৰে বৃহত্তৰ লাইপুলি শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি দেৱেশ্বৰ সোণোৱালে। উন্মোচনী সভাত ভাষণ দি লেখক তথা কৃতী শিক্ষক অমৃত ৰাজখোৱাই কয় যে সমাজত ভাল, আদৰ্শৱান মানুহৰ আদৰ্শৰ বৰ প্ৰয়োজন আছে, যাৰ আদৰ্শক অনুকৰণ কৰি সমাজখন আগুৱাই যাব পাৰে। সদ্যপ্ৰয়াত সুমিত্ৰা ভৰালী চুতীয়াৰ আদৰ্শক নতুন প্ৰজন্মই গ্ৰহণ কৰিব পৰাকৈ আমাৰ দায়িত্বশীল সমাজখন তথা সংগঠনে সুমিত্ৰা ভৰালী চুতীয়াৰ সৃষ্টিৰাজিক লৈ বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰাটো উচিত হ'ব। 'সুমিত্ৰা সুবাস'ৰ সম্পাদক কৃষ্ণকান্ত গগৈয়ে আঁত ধৰা সভাত প্ৰয়াত সুমিত্ৰা ভৰালীৰ সুযোগ্য দুই পুত্ৰ আৰু বোৱাৰীয়ে অতিথিসকলৰ চৰণ চুই সেৱা জনাই শুভাৰম্ভ কৰা সভাখনিত ধেমাজি জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ প্ৰাক্তন সম্পাদক গোবিন দত্ত, উদ্ভাৱক সুৰেণ বৰুৱা, কৃতী শিক্ষক সুচেন বৰুৱা, শিক্ষক হলিৰাম গগৈয়ে সদ্যপ্ৰয়াত সুমিত্ৰা ভৰালী চুতীয়াৰ জীৱন পৰিক্ৰমা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। প্ৰায় আশীগৰাকী লেখক-লেখিকাৰ প্ৰবন্ধৰে সমৃদ্ধ স্মাৰক গ্ৰন্থৰ উন্মোচনী সভাত সুমিত্ৰা ভৰালীৰ স্বামী বিমল চুতীয়াই আৱেগিক হৈ দুআষাৰ কয়। উন্মোচনী সভাত মৰাণকাৰী গাঁৱৰ ভক্তবৃন্দ, আইমাতৃসকলৰ লগতে ভালেসংখ্যক অতিথি উপস্থিত থাকে।

# গোলকগঞ্জ বিধানসভা সমষ্টিত বিজেপিৰ জয়যাত্ৰা

**ই-সংবাদ, তামাৰহাট, ১৩ মে':** সদ্য ঘোষিত পঞ্চায়ত নিৰ্বাচনৰ ফলাফলত ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিত বিজেপি দলে চমকপ্ৰদ জয়লাভ কৰিবলৈ সক্ষম হৈছে। সমষ্টিটোত চাৰিখন জিলা পৰিষদৰ ভিতৰত তিনিখনতেই বিজেপিৰ প্ৰাৰ্থী জয় লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, সমষ্টিটোত মুঠ ২১ টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ভিতৰত ১৪ খনতেই বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয় লাভ কৰি মিত্ৰজোঁটৰ জয়যাত্ৰা অব্যাহত ৰাখে। প্ৰাপ্ত তথ্য মতে, গোলকগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৭ নং আগমনি-হালাকুৰা জিলা পৰিষদ সমষ্টিত বিজেপি প্ৰাৰ্থী কল্যাণী ৰায় শিকদাৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছে। ১৮ নং গংগাধৰ জিলা পৰিষদৰ বিজেপি দলৰ প্ৰাৰ্থী মালতী বালা ৰায় আৰু ১৯ নং গোলকগঞ্জ জিলা পৰিষদত বিজেপি দলৰ প্ৰাৰ্থী দেৱব্ৰত ৰায় জয় লাভ কৰাৰ বিপৰীতে ২০ নং ৰায়ঢাক জিলা পৰিষদ সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী এচাহক আলীয়ে জয় লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, মুঠ ২১ টা আঞ্চলিক পঞ্চায়ত সদস্য পদৰ ভিতৰত আগমনি-হালাকুৰা জিলা পৰিষদৰ অন্তৰ্গত ১০৮ নং আগমনি গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্য পদত বিজেপি দলৰ প্ৰাৰ্থী সংযুক্তা বাকচী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছে। ১০৯ নং ছাগলীয়া গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদত বিজেপি দলৰ প্ৰাৰ্থী ভীষ্ম নাৰায়ণ সৰকাৰ জয়ী হৈছে, ১১০ নং হালাকুৰা পঞ্চায়তৰ বিজেপি দলৰ ভাৰতী বালা ৰায় বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছে, ১১১ নং সেৱনগৰ পঞ্চায়তৰ বিজেপি দলৰ চন্দনা বৰ্মন আৰু ১১২ নং শিমলাবাৰী পঞ্চায়তৰ বিজেপি দলৰ সঞ্জয় ৰায় বিজয়ী হয়। ১৮ নং গংগাধৰ জিলা পৰিষদৰ অধীনস্থ ১১৩ নং বিছনদৈ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্য বিজেপি দলৰ প্ৰাৰ্থী পম্পী ৰায়, ১১৪ নং হৰিৰহাট পঞ্চায়তৰ বিজেপি দলৰ প্ৰসেনজিৎ ৰায়, ১১৬ নং মটেৰঝাৰ পঞ্চায়তৰ অগপ দলৰদলৰ প্ৰাৰ্থী সঞ্জয় ৰায়, ১১৭ নং অক্সিগুৰি পঞ্চায়তৰ অগপ দলৰ পল্লৱী অধিকাৰী বিজয়ী হোৱাৰ বিপৰীতে ১১৮ নং তামাৰহাট পঞ্চায়তৰ কংগ্ৰেছৰ ৰূপম অধিকাৰী আৰু ১১৫ নং কাচখানা পঞ্চায়তৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী সমীৰ প্ৰধানী জয় লাভ কৰিবলৈ সক্ষম হয়। গোলকগঞ্জ জিলা পৰিষদৰ অধীনস্থ ১১৯ নং বিষখোৱা পঞ্চায়তৰ বিজেপি দলৰ প্ৰাৰ্থী লিপিকা ৰায় বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হয়। ১২০ নং ঢেপঢেপী পঞ্চায়তৰ বিজেপি দলৰ প্ৰাৰ্থী গৌৰাংগ চন্দ্ৰ ৰায়, ১২১ নং দুমৰদহ পঞ্চায়তৰ নিৰ্দলীয় প্ৰাৰ্থী ৰেহেনা খাতুন বিজয়ী। ১২২ নং গাইখোৱা পঞ্চায়তৰ বিজেপি দলৰ চিত্ৰা দাস ৰায়, ১২৩ নং লক্ষীমাৰী পঞ্চায়তৰ বিজেপিৰ প্ৰাৰ্থী ইতি ৰায় আৰু ১২৪ নং সত্ৰশাল পঞ্চায়তৰ বিজেপি দলৰ প্ৰাৰ্থী ৰবী ৰায় বিজয়ী হোৱাৰ বিপৰীতে ১২১ নং দুমৰদহ পঞ্চায়তৰ নিৰ্দলীয় প্ৰাৰ্থী ৰেহেনা খাতুনে জয় লাভ কৰিবলৈ সক্ষম হয়। ৰায়ঢাক জিলা পৰিষদৰ অধীনস্থ ১২৫ নং ভামনডাংগা পঞ্চায়তৰ কংগ্ৰেছ দলৰ তহমিনা আহমেদ, ১২৬ নং যোগাৰপাৰ-ছোটগুমা পঞ্চায়তৰ কংগ্ৰেছ দলৰ আব্দুল মোতালেব মণ্ডল আৰু ১২৭ নং পোকালাগী পঞ্চায়তৰ কংগ্ৰেছ দলৰ বাপ্পী ৰহমান বিজয় লাভ কৰাৰ বিপৰীতে ১২৮ নং ৰণপাগলী পঞ্চায়তৰ নিৰ্দলীয় প্ৰাৰ্থী ফাতেমা বিবি বিজয়ী হয়। মুঠ ২১ খন আঞ্চলিক পঞ্চায়ত সদস্যৰ আসনৰ মিত্ৰজোঁটৰ দখলত ১৪ খন, অগপ ২খন, কংগ্ৰেছ ৫ খন আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে ২ খন আসন লাভ কৰিবলৈ সক্ষম হয়।


Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ৰঙিয়াত বিশ্ব ধাত্ৰী দিৱস পালন

**ই-সংবাদ, ৰঙিয়া, ১৩ মে':** বিশ্ব ধাত্ৰী দিৱস উপলক্ষে সোমবাৰে ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ত বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপলক্ষে পুৱাৰ ভাগত চিকিৎসালয়খনত কৰ্মৰত ধাত্ৰীসকলে স্বচ্ছ অভিযানেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। গছপুলি ৰোপণ কৰাৰ পিছতে ফ্লোৰেন্স নাইটিংগেলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। ইফালে, ধাত্ৰী দিৱসৰ লগত সংগতি ৰাখি উপ-অধীক্ষকৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত কৰা হয়। বৰ্ণালী কলিতাই আঁত ধৰা সভাখনৰ আৰম্ভণিতে সমবেত সংগীত পৰিৱেশন কৰা হয়। ডাঃ দিলীপ কুমাৰ বৈশ্যই সঞ্চালনা কৰা সভাখনত ধাত্ৰী দিৱস পালনৰ প্ৰাসংগিকতা সন্দৰ্ভত ডাঃ অশোক কলিতা, ডাঃ তাহেৰ মজুমদাৰৰ লগতে ননী কলিতা, ৰীণা পাঠক প্ৰণীতা তালুকদাৰে বক্তব্য ৰাখে। একেটা অনুষ্ঠানতে প্ৰণীতা তালুকদাৰ, ননী কলিতা আৰু ৰীণা পাঠকক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাৰ প্ৰাকক্ষণত ডাক্তৰ দিলীপ কুমাৰ বৈশ্য, ডাক্তৰ অশোক কলিতা, ডাক্তৰ তাহেৰ মজুমদাৰ আৰু অমূল্য বৈশ্যক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। বিশ্ববিশ্ৰুত ফ্লোৰেন্স নাইটিংগেলৰ জন্মদিনৰ লগত সংগতি ৰাখি সভাৰ অন্তত কেক কাটি আনন্দ প্ৰকাশ কৰে সমবেত চিকিৎসক তথা স্বাস্থ্য কৰ্মীসকলে।

# তামাৰহাটত পাকিস্তানক সমৰ্থন কৰা যুৱক ধৃত

**ই-সংবাদ, তামাৰহাট, ১৩ মে':** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত উজানপেটেলা প্ৰথম খণ্ড গাঁৱত আজি তামাৰহাট থানাৰ আৰক্ষীয়ে পাকিস্তানক সমৰ্থন কৰা এজন যুৱকক আটক কৰে। জানিব পৰা মতে, তামাৰহাট থানাৰ অন্তৰ্গত উজানপেটেলা প্ৰথম খণ্ড গাঁৱৰ বাসিন্দা অমৃত আলী সেখৰ পুত্ৰ সাহাদত আলী (২৩) নামৰ যুৱকজনে নিজৰ ম'বাইলত ছানিয়া খান নামেৰে ভুৱা ফেচবুক একাউণ্ট খুলি পাকিস্তানক সমৰ্থন কৰি আহিছিল। ইয়াৰ উপৰি ভাৰত বিৰোধী বিভিন্ন বিতৰ্কিত ভিডিঅ' শ্বেয়াৰ কৰি আহিছিল সাহাদত আলীয়ে। অৱশেষত আজি তামাৰহাট আৰক্ষীৰ জালত পৰে যুৱকজন।



নলবাৰীৰ চান্দকুছি বৰআজাৰাত জিম মুকলি



গুৱাহাটীস্থিত লহৰ ডিজিটেল ষ্টুডিঅ'ত মুকলি 'ফাগুন বলিছে' গীতৰ দৃশ্য-শ্ৰব্য সংস্কৰণ

## ফকিৰাগ্ৰাম বন বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰীৰে মিতিৰালি

# ফকিৰাগ্ৰামৰ ভোগদৈ গঙীয়া নৈৰ বুকুত শিল-বালিৰ অবৈধ বেহা

**ই-সংবাদ, পৰ্বতঝোৰা, ১৩ মে':** পৰ্বতঝোৰা মহকুমাৰ সীমামূৰীয়া ফকিৰাগ্ৰাম ৰেঞ্জৰ অন্তৰ্গত বিটিআৰৰ গোঁসাই গাঁও মহকুমাৰ কচু গাঁও ডিভিজনৰ চালানেৰে ফকিৰাগ্ৰাম ৰেঞ্জৰ বন বিষয়াক মেনেজ কৰি ভোগদৈ গঙীয়া নৈৰ বুকুত অবৈধভাৱে দিনে নিশাই শিল-বালি খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা কাৰ্যত অঞ্চলটোৰ নৈপৰীয়া স্থানীয় ৰাইজ শংকিত হৈ পৰিছে। অভিযোগ অনুসৰি ফকিৰাগ্ৰাম ৰেঞ্জৰ কচু গাঁও ডিভিজনৰ ভোগদৈ গঙীয়া নৈৰ বুকুত একাংশ বালি মাফিয়া চক্ৰৰ নেতৃত্বত এটা দুষ্ট চক্ৰই বিটিআৰৰ ফকিৰাগ্ৰাম ৰেঞ্জৰ কচু গাঁও ডিভিজনৰ চালানেৰে ফকিৰাগ্ৰাম বন বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰীৰে মিতিৰালি কৰি ভোগদৈ গঙীয়া নৈৰ বুকুত এনে অবৈধ শিল-বালি খননকাৰ্য অব্যাহত ৰখা বুলি গুৰুতৰ অভিযোগ উত্থাপিত কৰিছে নৈপৰীয়া স্থানীয় ৰাইজে। ইপিনে, আন এক অভিযোগ অনুসৰি, ফকিৰাগ্ৰাম বন বিষয়াক বৃহৎ অংকৰ কমিচনেৰে মেনেজ কৰি ভোগদৈ গঙীয়া নৈৰ বুকুত ড্ৰেজাৰ মেচিন লগাই ঠায়ে ঠায়ে ২০/৩০ ফুট দ গাঁতৰ সৃষ্টি কৰিছে। আনকি অঞ্চলটো ধুবুৰী তথা বিটিআৰৰ সীমান্তৱৰ্তী অঞ্চল হোৱা সত্ত্বেও ফকিৰাগ্ৰাম ৰেঞ্জৰ কচু গাঁও ডিভিজনৰ চালানেৰে ফকিৰাগ্ৰাম বন বিষয়াক মাহেকত বৃহৎ অংকৰ বিনিময়ত মেনেজ কৰি ফকিৰাগ্ৰাম ভোগদৈ গঙীয়া নৈৰ বুকুত অবৈধভাৱে শিল-বালি খনন কৰি ৰমৰমীয়া বেহা চলাই আহিছে যদিও বিভাগীয় কৰ্তৃপক্ষই গা এৰা দিয়া কাৰ্য অঞ্চলটোৰ সচেতন ৰাইজৰ মাজত চৰ্চাৰ বিষয় হৈ পৰিছে। ইপিনে, অসম চৰকাৰৰ লগতে বিটিআৰ চীফ প্ৰমোদ বড়ো চৰকাৰক অংগুষ্ঠ প্ৰদৰ্শন কৰি দুষ্ট চক্ৰটোৱে শিল-বালি খনন কৰি লাখ লাখ টকাৰ ৰাজহ ফাঁকি দি আহিছে। বৰ্তমান দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ হাতত লোৱা চৰকাৰখনে ফকিৰাগ্ৰাম বন কাৰ্যালয়ৰ এলেকাত এনে অবৈধ খনন আৰু অবৈধ শিল-বালি সৰবৰাহৰ ক্ষেত্ৰত তথা বিটিআৰ চীফ প্ৰমোদ বড়ো চৰকাৰে কি পদক্ষেপ হাতত লয় সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।


ALLEN EDUCARE

HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)

COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243

ADMISSION GOING ON


বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি